চান্দমামা

মে' ১৯৯১



100 GLASS PACK
NEW REFRESHING
Rasna
soft drink concentrate
32 GLASS PACK
6 GLASS PACK
স্কুলত বাইদেৰে
যেতিয়া মোক
'ভেৰী গুড়্' দিয়ে,
মায়ে ঘৰত মোক
এটা খুব ভাল বস্তু
দিয়ে। জানানে কি ?
মোৰ মৰমৰ ৰসনা !
অৰেঞ্জ ■ পাইনএপল ■ লাইম ■ শ্বাহী গুলাব ■ কালা খাট্টা ■ কুল খচ
■ কেশৰ এলাইচী ■ মছলা চোডা (জল জীৰা) ■ টুটী ফ্রুটী ■ মেঙ্গো ৰাইপ
I love you Rasna
প্ৰথম
IS:13019
অনুমোদিত
চফ্ট ড্রিঙ্ক
কনচেন্ট্রেট।
ইয়াত
বি ভি ও নাই।
*কেতবোৰ নিৰ্বাচিত চহৰতহে পোৱা যায়।
Mudra:A:EAMR:5483 Ass


In a class of its own
Exclusive pencils for one and all,
LION PREMIER® HB PENCILS
Sleek, Elegant, meant for executives and others, who like style. A consistent dark tone for effortless writing - micronized lead for unbreakable points are what adds to its superiority.
L.P.P. LTD. * PREMIER * 261 * HB * BONDED LEAD
LION PINKY® PENCILS
Lion 'PINKY' Pencils Pretty Perfect, Ideal for children because of its pretty designs & colours. Strongly bonded lead for unbreakable points and super smooth writing add to its attraction.
PINKY
LION Geematic® DRAWING PENCILS
Lion Geematic Drawing Pencils. A unit for all Professionals like artists, architects, designers & engineers. Give expertise an edge. Available in 14 grades from H to 6H and B to 6B HB and F
L.P.P. LTD. Geematic DRAWING 555 6B
LION PENCILS LTD
95, Parijat, Marine Drive
BOMBAY 400 002
National-356

চান্দমামা

*

মে' ১৯৯১

এই * আছে

সংখ্যাত

*

পৃথিৱীৰ খিৰিকীৰে	:	৯	চুঙা চাই সোপা	:	৪১
সামাজিক ঋণ	:	১১	বীৰ হনুমান	:	৪৫
অপূৰ্ব-কাহিনী	:	১৭	শিৱৰ কৃপা	:	৫৩
চং আৰু ৰং	:	২৪	গোঁজেই গজালি	:	৫৯
কৰ্তব্য আৰু দাসত্ব	:	২৫	মৰ্ত্যবাসীক কি লাগে	:	৬১
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩	বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

Cuddles always say "I love you."

Show your little ones how much you love them! And is there a better way of doing that than giving them a huggable, cuddlable playmate?

Cuddles. From the people who have given children the delightful entertainer of a magazine, Chandamama. Cuddles. A whole new range of stuffed toys. And, your old favourites. And, cute surprises being introduced regularly. Each one a sweet, adorable companion to your child. Absolutely safe. Designed to withstand childhandling.

Well, the fun and excitement of the festive season is just round the corner. Make it memorable for your child with a special gesture. With a Cuddle.



- CUDDLES — Stuffed toys from Chandamama.
- SAMMO — Mechanical and electronic toys from Chandamama

CUDDLES

Manufactured in technical collaboration with Sammo Corporation, South Korea.

CHANDAMAMA TOYTRONIX

Chandamama Toytronix Private Limited, Chandamama Buildings, Vadapalani, Madras - 600 026

from

THE HOUSE OF

CHANDAMAMA

Mudra M CTPL 4274

CUDDLES AND SAMMO TOYS WILL BE AVAILABLE AT ALL LEADING TOY OUTLETS EXCEPT IN THE STATES OF ASSAM, HIMACHAL PRADESH, MADHYA PRADESH, NORTH EASTERN STATES

এটি কেছিঅ' থাকিলে আপোনাৰ মনে বিচৰা সকলো ধৰণৰ সঙ্গীতৰ আনন্দ লব পাৰিব, মাথো কী টিপিলেই হ'ল ছন্দৰ গতিৰ লগে আপোনাৰ প্ৰিয় গীতসমূহ বজাই যাওক... বন্ধুবৰ্গৰ নৃত্যৰ ছন্দোময় তালে তালে আপুনি হৈ পৰিব জাকতজিলিকা তৰকা। গতিকে পলম কিহৰ... কেছিঅ'ৰ যহত লওক আনন্দ লহৰ। হয়, ইয়েই হ'ল প্ৰকৃত আনন্দ।

M-9105 SAC2 AS

CITY MUSIC CO., PTE LTD.
Singapore Tel: 3377058, 3377545

ONFLO MUSIC CO., LTD.
Hong Kong Tel: 722 4195

RAINBOW PHOTO FINISHERS PTE LTD.
Nepal, Kathmandu Tel: 221724

GENERAL ENTERPRISES COMPANY
U.A.E., Dubai Tel: 224131/2/3

MAHMOOD SALEH ABBAR CO.
Saudi Arabia, Jeddah Tel: (02)6473995

ARABIAN CAR MARKETING CO., LTD.
Oman Tel: 793741

CASIO COMPUTER CO., LTD.
Tokyo, Japan

চান্দমামা

সংস্থাপক : চ ক্র পা ণি সঞ্চালক : বি নাগিৰেড্ডি

যুদ্ধ : আগৰ দিনৰ আৰু আজিৰ

মানৱ নামৰ প্ৰাণীৰ ওপজাৰেপৰাই তাৰ ইতিহাস যুদ্ধৰ ইতিহাস। স্মৰণাতীত কালৰেপৰাই মানুহৰ সৈতে মানুহৰ যুদ্ধ চলি আছে, আজিও তাৰ নিবৃত্তি নহ'ল। কিন্তু আগৰ দিনত যুদ্ধৰ মাজতো যিথিনি ন্যায়ধৰ্মিতা আছিল, আজি আৰু নাই। আগৰ দিনত ইপক্ষই বিজয়ী হ'লে সিপক্ষ তলমূৰ হৈ পৰাজয় মানি লৈছিল।

কিন্তু আজিৰ যুদ্ধত জয়-পৰাজয়ৰ লাজ-গৌৰৱ এক গৌণ কথা। আজিৰ যুদ্ধ যাৰ বিৰুদ্ধে যাৰ, বা য'তেই নহওক, সমগ্ৰ বিশ্বয়েই তাৰ পৰিণাম ভুগ্গিবলগা হয়; সহিবলগা হয় —বীভৎস-মাৰাত্মক অস্ত্ৰৰ অত্যাচাৰ। আজিৰ যুদ্ধৰ অনিবাৰ্য্য পৰিণামত সমগ্ৰ পৃথিৱীৰ বায়ু বিযাক্ত হৈছে, পানী বিযাক্ত হৈছে, আকাশ-অৰণ্য তথা সমগ্ৰ প্ৰকৃতিয়েই সমভাবে প্ৰদূষিত হৈছে। মানুহৰ সৃষ্ট যুদ্ধৰ পাপত পৃথিৱীৰ অন্যান্য নিৰ্দোষ প্ৰাণী, জন্তু-জানোৱাৰ আদিও অযথা নিগৃহীত হৈছে, মানুহৰ অত্যাচাৰৰ চিকাৰ হৈছে। এই যুদ্ধাপৰাধ অক্ষমনীয়। আহক—

আমি সন্মিলিতভাবে যুদ্ধৰ বিৰুদ্ধে উপায় উলিয়াওঁ।

বছৰ : ১৬ মে' ১৯৯১ সংখ্যা : ২

খনে : ৩'০০ টকা : বছৰেকীয়া বৰঙণি : ৩৬'০০ টকা

CHANDAMAMA PUBLICATION

SANKAR

MAGGI CLUBBERS FUN LOVERS MAGGI CLUB
মেগী ক্লাবে বিনামূল্যে উপহাৰ বিলাইছে, অৰণ্যৰ ৰহস্যই তোমাক হাত বাউল দিছে!
অকণ অকণিহঁত আহা! মেগী ক্লাবত যোগদিয়া আৰু বহুৰটো জোৰা ৰং তামাচাত ভাগ লোৱা। নিউজলেটাৰ, উপহাৰ, খেল আৰু অন্যান্য অৰণ্যৰ ৰহস্য ভৰা সমল...
তুমি কেৱল এই টো মেগী নুডলছৰ 5টা খালি পেকেটৰ সমুখৰ ফালৰ পৰা কাটি তোমাৰ নাম আৰু ঠিকনা সহ আৰু তোমাক কোনটো উপহাৰ লাগে তাকো লিখি আমালৈ পঠাই দিয়া। যদিহে তুমি মেগী ক্লাবৰ সদস্য তেনেহলে তোমাৰ সদস্য নম্বৰটোও লিখি পঠাবলৈ নাপাহৰিবা। তুমি যদি এতিয়াও মেগী ক্লাবৰ সদস্য হোৱা নাই তেনে হলে এইটো সুযোগ নেহেৰুৱাবা। ওপৰত উল্লেখ কৰা বিবৰণবোৰ পঠাওঁতেই সদস্যতা কাৰ্ড বিচাৰি লিখিবা। আমি তোমালৈ সদস্যতা কাৰ্ড আৰু উপহাৰটো বিনামূল্যে পঠাম!
আমাৰ ঠিকনাটো :
মেগী ক্লাব,
পোষ্ট বক্স 5788,
নতুন দিল্লী-110055
Archie
আৰ্চী কমিক!
To Let
মেগী বাৰ্ড হাউচ বনোৱা!
বিনামূল্যে! মেগী 'ৱৰ্ল্ড অৱ এনিমেলস কুইজ পুস্তিকা তুমি গোটোৱা প্ৰতি 3টি উপহাৰৰ বাবে আমি তোমালৈ পঠাম বনাজন্তুৰ বিষয়ে আমোদজনক আৰু ৰহস্যময় যেন লগা কথাৰে ভৰা মেগী 'ৱৰ্ল্ড অৱ এনিমেলস' কুইজ পুস্তিকা – তাকো বিনামূল্যে। প্ৰতিটো খেলতেই বিতং বিবৰণ পাবা।
MAGGI
2-minute noodles
FAST TO COOK! GOOD TO EAT
Name:
Membership no.:
HTA 7105ASS
আৰু এটা সুযোগ! যদিহে তুমি লজ অৱ দা জাংগল গেম লোৱা নাই তেনেহলে এতিয়া গোটোৱা!

ইজৰায়েল আক্ৰান্ত হ'ল কিয়?

মধ্য পূৰ্ব এছিয়াত 'উপসাগৰীয় যুদ্ধ'ৰ হেতু হ'ল ইৰাকৰদ্বাৰা কুৱেত অধিকাৰ। অন্যায়ভাবে অধিকৃত কুৱেত পৰিত্যাগ কৰি গুচি যাবলৈ আমেৰিকাই ইৰাকক যি অনুৰোধ কৰিছিল, ইৰাকে সেই অনুৰোধ দলিয়াই পেলাইছিল। তাৰ ফলত, পৃথিৱীৰ বহু ৰাষ্ট্ৰৰ সেনা একত্ৰিত হৈ আমেৰিকাৰ নেতৃত্বত কুৱেতত ইৰাকী অধিকাৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে।

কিন্তু এই যুদ্ধত ইজৰায়েল কোনো ফালেৰেপৰাই সন্মিলিত নোহোৱা সত্বেও ইৰাকে অবাবতে ইজৰায়েললৈ ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিলে। কিন্তু—কিয়?

ইজৰায়েল হ'ল এখন ইহুদি ৰাষ্ট্ৰ। পূৰ্ণ এশতিকা কাললৈকে ইহুদিসকল নিজ মাতৃভূমিৰপৰা বঞ্চিত হৈ আছিল। দ্বিতীয় বিশ্বযুদ্ধৰ কালত হিটলাৰে অমানৱীয়ভাৱে লাখ-বিলাখ ইহুদিক হত্যা কৰিছিল। তাৰ পাছত, দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত প্যালেস্তাইন নামৰ ঠাই এডোখৰত ইহুদি ৰাজ্য প্ৰতিষ্ঠিত হ'ল আমেৰিকাৰ সন্মতিক্ৰমে।

১৯৪৮ চনৰ ১৫ মে, তাৰিখে ইজৰায়েল ৰাজ্য স্থাপিত হৈছিল। কিন্তু প্ৰতিষ্ঠাৰ দ্বিতীয় দিনাই মিছৰ, ইৰাক, জৰ্ডন, লেবানন আৰু ছিৰিয়াই সন্মিলিতভাৱে এই নৱজাত ইহুদি ৰাষ্ট্ৰক আক্ৰমণ কৰিলে!

এনে অপ্ৰত্যাশিত আক্ৰমণৰ বিৰুদ্ধে নৱজাত ইজৰায়েলে বাধ্যত পৰি যুঁজিলে, আৰু সন্মিলিত আৰব বাহিনীক খেদি লগতে আৰব ৰাজ্যৰ সামান্য ভূখণ্ডও অধিকাৰ কৰি ল'লে।

১৯৬৭ চনত মিছৰে ইজৰায়েলক আক্ৰমণ কৰি ধ্বংস কৰাৰ দিহা কৰিছিল। তেতিয়া জৰ্ডন আৰু ইৰাকেও মিছৰক সহায় কৰিবলৈ যুদ্ধলৈ আগ বাঢ়িছিল। কিন্তু এই আক্ৰমণ আৰম্ভ কৰাৰ আগতেই অকস্মাৎ ইজৰায়েলে মিছৰ, জৰ্ডন আৰু ছিৰিয়াৰ অধিকৃত ভূভাগত আক্ৰমণ আৰম্ভ কৰি—ছিনাই পেনিনছুলাৰপৰা মিছৰীয় বাহিনীক আৰু গোলান হাইটছৰপৰা, ছিৰিয়াক খেদি অধিকাৰ লৈছিল।

কিন্তু এইবাৰৰ যুদ্ধত ইৰাকে তেতিয়াৰ মিত্ৰ ৰাষ্ট্ৰসমূহৰ সহায় নোপোৱা হ'ল। কুৱেতক বলপূৰ্বক অধিকাৰ কৰাৰ কথাত ইৰাকক তেতিয়াৰ মিত্ৰইতে সমৰ্থন নকৰা হ'ল। সেইহে—ইজৰায়েলক অন্যায়ভাবে হ'লেও আক্ৰমণ কৰি যুদ্ধত সাঙুৰি ল'বৰ আশাৰে ইৰাকে ইজৰায়েললৈ ক্ষেপণাস্ত্ৰ দগিয়াইছিল। তেতিয়া আৰব-দুনীয়াৰ সমৰ্থন পাব বুলি আশা পালি আছিল।



সামাজিক ঋণ

নন্দপুৰ গাঁৱৰ ৰত্নধন আছিল সুতখোৰ মহাজন। কিন্তু ৰত্নধন নন্দপুৰীয়া হ'লে কি হ'ব—তাৰ সুতৰ কাৰবাৰ চুবুৰীয়া গাঁওবিলাকতহে অধিক ভাবে চলিছিল। কিন্তু কেৱল গাঁৱতে নহয়, চহৰতো তাৰ সুতৰ কাৰবাৰ চলিছিল।

এদিন আশ-পাশৰ গাঁওবিলাকৰপৰা সুতমূল উচুল কৰি লৈ ৰত্নধন যেতিয়া ঘৰমুৱা হ'ল, তেতিয়া সাঁজ লাগি ভাগিছিল। আন্ধাৰে-মুন্ধাৰে গৈ থাকোঁতে ৰত্নধনে তাৰ উচুল কৰি অনা ধনৰ টোপোলাটোত হাত ফুৰাই থাকোঁতে হঠাৎ তাৰ মনত পৰিল এটা কথা: এই অঞ্চলৰ কুখ্যাত ডেবেৰা নামৰ ডকাইতটোক মাত্র সাত দিনমানৰ আগতে ফাটকৰপৰা এৰি দিয়া হৈছে। এই ডেবেৰাই যদি কেনেবাকৈ গম পায় যে—মোনা এটাত পাঁচ হেজাৰ টকাৰে সৈতে সি অকলশৰে গৈ আছে—ডেবেৰাই বাৰু তাক শুদাই এৰিবনে? ভাবি ৰত্নধনৰ ভবৰি উঠিল।

আৰু ঠিক তেতিয়াই পিছফালৰপৰা কোনোবাই কৈ উঠিল, "কোন —? অলপ ৰ'বচোন—?"

উচপ খাই উঠি ৰত্নধনে ঘূৰি চালে আৰু এন্ধাৰ ফালি ফালি আগুৱাই আহি থকা কাৰবাক দেখা পালে। দেখা পাই—সি কঁপিবলৈ ধৰিলে।

তিমানতে সেই ওখ-পাখ মানুহজন ৰত্নধনৰ কাষ চাপিলহি। মানুহজনে তাৰ কান্ধত থকা কোৰখন কান্ধৰপৰা নমালৈ আৰু ক'লে, "আৰে—আপুনিহে! ৰতন মহাজন! মই হেৰি—কিষণলাল।"

কমলা বৰঠাকুৰ

"অহ্! কিচুণ……।" ৰত্নধনে স্বস্তিৰ উশাহ এৰি কৈ উঠিল, "মই দিনৰ দিনটো গাঁৱে গাঁৱে এনেয়ে ঘূৰি মৰিলোঁ। এক পইচাও উচুল নহ'ল। বেটাহঁতে লোৰাতহে আছে, দিয়াত নাই। উপকাৰীক বাঘে খায়—জানাই নহয়? মোৰো আজি সেই দশা হ'বৰ হৈছে। টকা ধাৰলৈ দি বেটা-হঁতৰ উপকাৰ কৰাত—এতিয়া আন্ধাৰে-মুন্ধাৰে বনৰপৰা ৰজা নোলালৈহে ৰক্ষা!"

সিহঁত দুয়ো ডাঙৰ নলা এটা ডেং মেলি পাৰ হ'ল, আৰু ঠিক তেতিয়াই কোনোবাই ক'ৰবাৰপৰা কৈ উঠিল, "কোন তোমালোক—? ৰ'ব্‌বা!"

এইবাৰ ৰত্নধনৰ আৰু সন্দেহ নাথাকিল যে ই নিশ্চয় ডেবেৰা ডকাইতেই হ'ব। ৰত্নধনে কিষণক গুন-গুনকৈ ক'লে, "কিচুণ, মই তোমাক মিছাকৈ কৈছিলোঁ যে মই এপইচাও উচুল কৰিব পৰা নাই। আচলতে—এই মোনাটোত পাঁচহেজাৰ টকা আছে। মোৰপৰা ডেবেৰাই নিশ্চয় কাঢ়ি ল'ব। টকাখিনি তোমাকে গতালোঁ।" এই বুলি কৈয়েই ডেবেৰাই ৰত্নধনে টকাৰ মোনাটো কিষণক দিলে আৰু তাৰ পাছত পুনৰ খোজ ল'লে।

ডেবেৰাই ৰত্নধনক দেখা পায়েই দাং খাই উঠি ক'লে, "ৰতন মহাজন, শীঘ্ৰে দিয়া যি আছে ধন, নহ'লে—জানিবা নিশ্চয় মৰণ" এই বুলি কৈয়েই ডেবেৰাই ৰত্নধনক গৰা মাৰি ধৰিলে।

ৰত্নধনে চিঞৰি চিঞৰি ক'লে, "কিচুণ—কিচ্‌ণু—বচোৰা—বচোৰা মোক!"

অকস্মাৎ অন্ধকাৰৰ মাজেদি কিষণে তাৰ হাতত ধধাল কোৰখন দাঙি লৈ দৌৰি আহি ডেবেৰাক ক'লে, "ডেবেৰা, তুমিও য'ৰ, ময়ো তা'ৰেই মানুহ। আমি দুয়ো নন্দপুৰীয়া। হয় এওঁক এৰা, আৰু নেৰা যদি—মৰা!"

ডেবেৰাৰ হাতত কোনো অস্ত্ৰ নথকাত ডেবেৰাই ৰত্নধনক এৰি দৌৰি পলাই গ'ল।

তাৰ পাছত দুয়ো গৈ থাকিল। কিষণে ৰত্নধনৰ ধনৰ টেপোলাটো ৰত্নধনক ওভোতাই দিলে।

এই ঘটনাৰ এমাহমানৰ অন্তত এদিন হঠাৎ ডেবেৰা ডকাইত দিনে-পোহৰে ৰত্নধনৰ কাষ চাপিল আৰু কাবৌ কৰি ক'লে, "ৰতন মহাজন, মই অলপ সহায় বিচাৰি আপোনাৰ ওচৰলৈ আহিছোঁ।"

"সহায়? মোৰপৰা? কেনেকুৰা সহায়!" ডেবেৰাক দেখি ভিতৰি ভিতৰি কঁপি থকা সত্বেও বাহিৰত বাঘ-বুকুৰা যেনটো ভাও ধৰি ৰত্নধনে সুধিলে।

"মহাজন! মোৰ ছোৱালীজনীৰ বিয়া পাতিছোঁ। কিন্তু—সামান্য টকা কম পৰিল। এহেজাৰ টকা মোক ধাৰলৈ দিব লাগিব। মই সময়মতেই সুতে-মূলে শুজিম।" ডেবেৰা ডকাইতে ক'লে।

ৰত্নধন বিমোৰত পৰিল। সি ভাবি থাকিল: ইয়াক দিলে ঘূৰাই নাপাম, নিদিলে চিধাই যমৰ আলহী হ'ম। কি কৰোঁ?

আৰু অৰশেষত ডেবেৰাক টকা এহেজাৰ ৰত্নধনে দিবলগা হ'ল।

ডেবেৰা ডকাইতে টকা লৈ গুচি যোৱাৰ অলপ পাছত কিষণ ৰত্নধনৰ কাষ চাপিলহি। কিষণে ৰত্নধনক ক'লে, "মহাজন, মোৰ পৰিবাৰে একেবাৰে পাটী লৈছে। তেওঁক চিকিচ্ছা কৰাবলৈ মোৰ

হাতত এতিয়া ফুটাকড়ি এটাও নাই। আপুনি দয়া কৰি যদি এশটা টকা মোক ধাৰলৈ দিয়ে—বৰ উপকাৰ কৰা হ'ব। যিমান সোনকালে পাৰোঁ—মই আপোনাৰ টকাখিনি সুতে-মূলে ঘূৰাই দিম।"

কিন্তু কিষণৰ কথা শুনামাত্রেই ৰত্নধনে বিৰক্তিৰে কৈ উঠিল, "মোৰ ঘৰত ধনৰ গছ আছেনে কিবা? কি ভাবিছাহে তোমালোকে? এইমাত্রে ডেবেৰা ডকাইত আহিছিল আৰু তাৰ ছোৱালী-জনীৰ বিয়াৰ বাবদে এহেজাৰ টকা উধাৰ ল'লে। সি বেটাই আৰু টকাখিনি ঘূৰাই দিয়েনে নিদিয়ে—সিহে জানিব। --এতিয়া আকৌ ভূতৰ ওপৰত দানহ পৰাদি তুমি পৰিলাহি। তোমালোকে মোক কি বুলি ভাবিছা কোৱাচোন?"

কিষণে তথাপি ক'লে, "মহাজন, পাৰিলে মোক দয়া কৰকেই, মোৰ সমস্যা হ'ল জীৱন-মৰণৰ সমস্যা!"

"কিষণ, শুনা। মই ডেবেৰাক যে এহেজাৰ টকা দিলোঁ, সি সহজে দিব নোৱাৰিলে—আনৰ লুট-পাত কৰি আনি হ'লেও মোৰখিনি মোক শুজিব। কিন্তু তুমিনো কেনেকৈ শুজিবা? গতিকে—এয়া লোৱা দহটা টকা। এই দহটকাৰে কেনেবাকৈ তোমাৰ কাম চলোৱা।"

ৰত্নধন মহাজনৰপৰা টকা নোলোৱাকৈয়ে কিষণ তাৰপৰা গুচি গ'ল।

তাৰ পাছত দুমাহমান পাৰ হ'ল। এনিশা ৰত্নধনৰ ঘৰত চোৰ সোমাল আৰু নগদে-গহনাই কমেও ত্রিছ পঁচিছ হেজাৰ-মান চোৰে লৈ গ'ল।

এই চুৰিৰ ঘটনাৰ সাতদিনৰ অন্তত কিষণে যেতিয়া তাৰ খেতি-পথাৰত কাম কৰি আছিল, তেতিয়া ডেবেৰা ডকাইতে তাক সুধিলেহি, "হেৰা, তুমিয়েই নন্দপুৰৰ কিষণ নহয় জানো?"

হঠাৎ ডকাইত ডেবেৰা কিয় তালৈ আহিল—কিষণে ঠাৰৰ কৰিব নোৱাৰি

ক'লে, "ওঁ, ময়েই নন্দপুৰৰ কিষণ। তোমাক মই চিনি পাইছোঁ। কিন্তু—তুমি কি মন কৰি আহিলা—তাকেহে নুবুজা হৈছোঁ। তোমাক কি লাগে কোৱাচোন বাৰু?"

"মোক একো মালাগে, একো বিচাৰি অহা নাই, মই। তুমি ৰতন মহাজনৰ ওচৰলৈ গৈছিলা টকা এশ বিচাৰি, দিয়া নাছিল মহাজনে। এয়া লোৱা, এই মোনাটোত ‘দুশ টকা আছে। এই টকাখিনিও ৰতন মহাজনৰ, আৰু এই ধনৰ পুণ্যৰ ফল ৰতন মহাজনেই পাব।" এই কথা কৈ, দুশ টকীয়া মোনাটো থৈ, ডেবেৰা ডকাইতে তৎক্ষণাৎ তাৰপৰা গুচি গ'ল।

কিষণে গোটেই ঘটনাটো ৰত্নধন মহাজনক ক'লেগৈ। তাৰ পাছত যেতিয়া দুশ টকীয়া মোনাটো মহাজনক ল'বলৈ ক'লে কিষণে, তেতিয়া ৰত্নধন মহাজনে কৈ উঠিল, "মোক মাফ কৰি দিয়া, কিষণ। ডেবেৰাই লুট কৰি হ'লেও মোৰ ধাৰ মাৰিব বুলি কৈছিলোঁ তোমাক। কিন্তু সি মোকেই লুট কৰি মোৰ ধাৰ মাৰিব বুলি কেনেকৈ জানিম? যি কি নহওক—তোমাৰ মহৎ উপকাৰৰ কথা পাহৰি তোমাক মাত্ৰ এশটা টকাৰেও প্ৰত্যুপকাৰ নকৰাত মই অনুতপ্ত। ডেবেৰাই মোক সেই অনুতাপৰ জুয়েৰে পৰিশুদ্ধ হোৱাৰ এই সুযোগ দিয়াত—মই তাৰ প্ৰতি কৃতজ্ঞ। এই টকা তোমাৰ, তুমিয়েই লোৱা, আৰু — মোক মোৰ সামাজিক ঋণৰপৰা মুক্ত হ'বলৈ উপায় দিয়া।" এই বুলি কোৱাৰ লগে লগে ৰত্নধন মহাজনৰ দুচকুৰপৰা লোতক বাগৰি আহিল।

কিষণে ৰত্নধন মহাজনৰপৰা সামাজিক ঋণৰ দায়িত্ব উপলব্ধি কৰি মহাজনক কৰযোৰে নমস্কাৰ কৰিলে।

ভুক্তভোগী

এডৰা অৰণ্যত দুজন মুনিয়ে তপ-জপ কৰিছিল। মুনি দুজনৰ নাম যথাক্ৰমে—কেদাৰ আৰু বদৰী। এওঁলোকৰ আশ্ৰমো অৰণ্যতে আছিল।

এদিন বদৰীমুনিয়ে কেদাৰমুনিক ক'লে, "মোৰা কিছুদিনৰপৰা অৰণ্য এৰি জনাৰণ্যত জীৱন যাপনৰ বাসনা হৈছে। এই বাসনাক মই দমাব পৰা নাই।"

কেদাৰমুনিয়ে অলপ সময়লৈ তাপ মাৰি থকাৰ অন্তত ক'লে, "বাসনা—দমাব পৰাই নাই যেতিয়া—মোৰা, থাকাগৈ জনাৰণ্যত—মানে—নগৰত।"

পাছদিনা বদৰীমুনি ওলাল। গৈ গৈ এখন সুন্দৰ চহৰ পালেগৈ। বদৰীমুনি এই চহৰতে একাংশত থাকিবলৈ ল'লে।

কিন্তু—এমাহৰ ভিতৰতে নগৰজীৱনৰ ধাপ্পাবাজী, ছল কপট, ষড়যন্ত্ৰ, কাজিয়া-পেচাল, মাৰ মাৰ-কাট কাট আদিয়ে মুনি বদৰীক বৰকৈ অস্থিৰ কৰি তোলাত—তেওঁ বাধ্যত পৰি চহৰ এৰি পুনৰ অৰণ্যলৈ উভতি আহি স্বস্তিৰ উশাহ পেলালে।

বদৰীক পুনৰ অৰণ্যত পাই কেদাৰমুনি আনন্দিত হ'ল। কিন্তু বদৰীয়ে যেতিয়া নগৰ-জীৱনৰ কাহিনী ক'বলৈ ধৰিলে, তেতিয়া কেদাৰমুনিক কিছু অন্যমনস্ক যেন দেখি বদৰীয়ে ক'লে, "কথানো কি? নগৰজীৱনৰ কথা শুনাত তোমাৰ দেখোন মন-কাণেই নাই?"

কেদাৰমুনিয়ে মৃদুকৈ হাঁহি মাৰি ক'লে, "নগৰজীৱনৰ কথা—বাস্তৱিকতে মই শুনিবলৈ নিবিচাৰোঁ। তুমি অৰণ্যবাসী হোৱাৰ আগতে নিশ্চয় নগৰজীৱনৰ সোৱাদ পোৱা নাছিলা, কিন্তু ক্ষন্তেকীয়া আবেগৰ জোৱাৰত উঠি অৰণ্যলৈ আহিছিলা নিশ্চয়। কিন্তু মই আছিলোঁ ভুক্তভোগী। এতিয়া তুমিও এজন প্ৰকৃত ভুক্তভোগী হ'লা। এইবাৰ তুমিও জপ-তপত একাগ্ৰ হ'ব পাৰিবা।"

এই ভুক্তভোগিতাৰ অন্তত বদৰীমুনিয়ে কেদাৰমুনিৰ দৰে তপস্যাত একাগ্ৰ হৈ পৰিপূৰ্ণ ঋষিত্ব আৰ্জিব পাৰিছিল।

অপূৰ্ব-কাহিনী

তেতিয়া পূৰ্ব আকাশত প্ৰভাতসূৰ্য্য উদিত হওঁ হওঁ হৈছিল। পাহাৰৰ ওপৰত মুনিয়ে উদিত সূৰ্য্যৰ স্বৰ্ণাভা বিকীৰিত পৰ্বতপ্ৰান্তৰৰ অপূৰ্ব দৃশ্যলৈ সম্মোহিত হৈ ৰ' লাগি বিমোহিত নয়নেৰে চাই আছিল। এই বিপুল-বিস্তৃত সুন্দৰ পাৰ্বত্যভূমিৰ সিপাৰত বৈ আছিল ৰজতশুভ্ৰ নৈৰ ধাৰ।

মুনিয়ে এবাৰ পুবৰ উজ্জ্বল আকাশলৈ চালে আৰু বিশাল-বিস্তীৰ্ণ প্ৰান্তৰলৈকো দৃষ্টিনিক্ষেপ কৰিলে। তেওঁ নিজক নিজে কোৱাদি কৈ থাকিল: ঈশ্বৰে কিমান যে মনমোহা সুন্দৰী ধৰণীখন স্ৰজিলে! কিমান যে বিবিধ ধৰণৰ বৰণৰ পশু-পক্ষীৰ সৃষ্টি কৰিলে! সৰ্বশেষত স্ৰজিলে মানৱক। মানৱক তেওঁ দিলে বুদ্ধিবৃত্তি আৰু অগ্ৰৱৰ্তী হোৱাৰ শকতি। মানৱক তেওঁ শান্তিপূৰ্ণভাৱে সুখেৰে জীৱন নিয়াবলৈ সমৰ্থৱান কৰিলে। মানৱক ঈশ্বৰে প্ৰদান কৰিলে ভাল-বেয়া, ন্যায়-অন্যায়, সততা-অসততাৰ বোধ। আনৰপৰা অন্যায়কৈ কিবা লোৱাৰ বাসনা নকৰিলে যিকোনো মানৱেই সুখে-সন্তোষে জীৱন-জীৱিকা নিৰ্বাহ কৰিব পাৰে আৰু পৃথিৱী-খনক এতিয়াতকৈ বহুগুণে সুন্দৰ সুখময় কৰি তুলিব পাৰে। জগতৰ অপূৰ্ব সৃষ্টি এই মানৱ জাতিয়ে আনৰ প্ৰতি অন্যায় নিৰ্মমতা প্ৰদৰ্শন নকৰি নোৱাৰেনে?

'সাহিয়াল বালকৰ জন্ম'



এনেবোৰ চিন্তাত বহু সময়লৈকে মুনিবৰ বিভোৰ হৈ থাকিল। এইগৰাকী মুনি আছিল—সেই বেদৰ যুগৰ মুনি-ঋষিৰ সমান মহান। এই মুনিগৰাকী প্ৰকৃতিৰ বহুতো ৰহস্য জ্ঞাত আছিল, আৰু এই ৰহস্যৰ অভিনৱ প্ৰয়োগ কৰিব পাৰিছিল। তেওঁ এই প্ৰকৃতিৰ এনে এক গূঢ় ৰহস্য অধিগত কৰিছিল, যি ৰহস্যৰ সঠিক প্ৰয়োগৰ মাজতে নিহিত হৈ আছিল এক অভিনৱ সৃষ্টিৰ পৰম ঐশ্বৰ্য্য তথা অংকুৰ।

মুনিয়ে মগ্ন হৈ সেই সৃষ্টিৰ কথা তন্ময়তাৰে ভাবি আছিল জগতৰ আন সকলো পাৰ্থিৱ কথা বিস্মৃত হৈ।

তেতিয়া মুনিৰ গুহাশ্ৰমৰপৰা ওলাই আহি তেওঁৰ শিষ্য ছোহমে মুনিক কথা এটা সোঁৱৰাই দিলে, "গুৰুজী, আমাৰ সেই শুভক্ষণ কিন্তু সমাগত।"

"আঁ—!" মুনিয়ে নিদ্ৰোত্থিতভাবে ক'লে, "হঁা, ছোহম, আমাৰ সেই শুভসৃষ্টিৰ চূড়ান্ত তথা একেবাৰে অন্তিম সময় সমাগত! হয়।"

মুনিৰ গুহাশ্ৰমৰ দুয়োফালেই ওলোৱা-সোমোৱা বাট আছিল। এই গুহাৰ সোঁমাজত একুৰা অগ্নি প্ৰজ্বলিত হৈ আছিল; মুনিয়ে সেই প্ৰজ্বলিত অগ্নিৰ সমুখত উপবেশন কৰিলে আৰু শিষ্য ছোহমক ক'লে, "ছোহম, এতিয়া মোৰ প্ৰতি মন কৰিবা আৰু অগ্নিকুণ্ডৰ প্ৰজ্জ্বলনৰ প্ৰতিও লক্ষ্য ৰাখিবা—যাতে এই অগ্নি-কুণ্ড এনেকৈয়ে লৌ লৌকৰে জ্বলি থাকে তাৰ প্ৰতি তুমি অখণ্ড মনযোগেৰে অখণ্ড-ভাবে চাই থাকিবা। তাৰ পাছত আমি এই কৰ্মযজ্ঞত জয়ী হওঁনে পৰাজিত হওঁ—দেখা যাব।"

মুনিৰ পিছফালে থিয় হৈ শিষ্য ছোহমে অতন্দ্ৰভাবে সকলো পিনে সতৰ্ক দৃষ্টি মেলি দিলে। মুনিয়ে তপস্যা কৰিবলৈ ধৰিলে। তাৰ পাছত কেইবাদণ্ড ধৰি মুনিয়ে সুগধুৰ

অগ্নিময় বালকলৈ ৰূপান্তৰিত হৈ পৰিল আৰু কেইমুহূৰ্তমানৰ অন্তত সেই অগ্নিজাত বালক সেই বিৰাট-বিস্তৃত প্ৰজ্বলিত অগ্নি-কুণ্ডৰপৰা ওলাই আহিল।

এই বালকে সৰ্বপ্ৰথমে মুনিলৈ আভূমি প্ৰণিপাত জ্ঞাপন কৰিলে।

প্ৰজ্বলিত অগ্নিকুণ্ডৰপৰা ওলাই অহা এই অগ্নি-বালক দেখাত আছিল সুদৃঢ়-সুন্দৰ; কিন্তু এটি অতি ক্ষুদ্ৰ পুতলাহেন ক্ষুদ্ৰাকৃতি।

"মই কোন—?" এই অগ্নিজাত বালকটিয়ে মুনিক স্পষ্টকৈ প্ৰশ্ন কৰিলে।

"তুমি এটি মানৱ, কিন্তু কিঞ্চিত স্বতন্ত্ৰ-

ভাৱে তথা কণ্ঠৰ সৰ্বশক্তিৰে আৰু স্পষ্টতাৰে মন্ত্ৰোচ্চাৰণ কৰি থাকিল আৰু সেই লেলিহান শিখাযুক্ত অগ্নি-কুণ্ডলৈ ঘি, মধু, ফুল, পাত, ফল আদি উপচাৰ ভক্তিপূৰ্ণ মনেৰেও আহুতি প্ৰদান কৰি থাকিল।

কিছু সময়ৰ অন্তত অতি ধীৰে ধীৰে সেই বিৰাট অগ্নিকুণ্ডই যেনিবা আকাৰ সলাবলৈ ধৰিলে। মুনিয়ে উজ্জ্বল তথা মোহময় মুগ্ধ দৃষ্টিৰে সেই আকাৰ সলোৱা অগ্নিকুণ্ডলৈ নিষ্পলকনেত্ৰে চাই থাকিল। মুনিৰ চকু মুখত বিমুগ্ধ বিস্ময়। চাওঁতে চাওঁতে সেই প্ৰজ্জ্বলিত অগ্নিকুণ্ডই এটি

বিধৰ মানৱ। তুমি প্ৰকৃতিৰ পঞ্চতত্বেৰে গঢ় লৈছা। প্ৰকৃতিৰ ৰহস্য উদ্ঘাটিত কৰি মোৰ কৃত যজ্ঞৰ ফলস্বৰূপে তুমি আৱিৰ্ভূত হৈছা। তুমি বুদ্ধি, জ্ঞান আৰু বাণীৰ সমাহাৰেৰে মানৱৰ মাজতে বিশিষ্ট মানৱ-ৰূপ জন্মগ্ৰহণ কৰিলা। তোমাৰ মাজত সদসৎ, করুণা-হিংসা, সত্য-মিথ্যা, জাগতিক-আধ্যাত্মিক — সৰ্ববিধ জ্ঞানৰ সমাহাৰ। তুমি কেতিয়াও মিথ্যা অন্যায় অবিচাৰ সহিব নোৱাৰিবা। তুমি হ'বা মানৱ-অগ্ৰৱৰ্তিতাৰ আধাৰ।" মুনিয়ে সেই অগ্নি-বালকৰ প্ৰশ্নৰ উত্তৰত এই কথা ক'লে।

মুনিৰ কথা শুনি সেই পুতলাহেন

অগ্নি-বালকে ক'লে, "কিন্তু মই মোৰ জ্ঞানৰদ্বাৰা অনুভৱ কৰিছোঁ যে সাধাৰণ মানৱৰ তুলনাত মই নিচেই ক্ষুদ্ৰ আকৃতিৰ। হে পিতা! এনে ঘটনা কিয় ঘটিল?"

"চোৱা, পুত্ৰ! তুমি বহু কালৰেপৰাই সাধাৰণ মানৱতকৈ ভিন্ন প্ৰকৃতিৰ। অবিশ্বাস্য তোমাৰ দেহ যিমানেই ক্ষুদ্ৰ নহওক, তুমি গতিবেগসম্পন্ন, চেতন আৰু শক্তিমান। তুমি জগতৰ বৃহৎ উপকাৰ সাধিবলৈহে জন্মগ্ৰহণ কৰিছা। তুমি নিশ্চয় মানৱ জাতিৰ মংগল সাধিবলৈ কাৰ্য্য কৰি থাকিবা।" এই বুলি কোৱাৰ অন্তত মুনি ক্ষণকালৰ বাবে মৌন হ'ল। তাৰ পাছত তেওঁ পুনৰ কৈ থাকিল,

"ওঁ, এটা কথা তোমাক কওঁ শুনা। তুমি সদায় ক্ষুদ্ৰাকৃতি হৈ নাথাকিবা। তোমাৰ জীৱনকালৰ অৰ্দ্ধভাগ হ'ব অত্যন্ত সংঘৰ্ষপূৰ্ণ। মানৱতা-বিৰোধী তত্বৰ বিৰুদ্ধে তুমি যুঁজি থাকিবা। যেতিয়া তুমি এনেবোৰ জটিল কঠোৰ-কঠিন কৰ্তব্যসমূহ সামৰিবা, তাৰ পাছত তুমি তোমাৰ বাকী জীৱনকাল পৰম শান্তিৰে অতিবাহিত কৰিব পাৰিবা। আৰু ঠিক তেতিয়াই তুমি সাধাৰণ মানুহৰ দৰে অৱয়ৱ লাভ কৰিবা। এইবোৰ কেতিয়া কেনেকৈ হ'ব, সময়েই তোমাক কৈ দিব।" মুনিয়ে অগ্নি-বালকক ক'লে।

মুনিয়ে সামান্য সময়ৰ বাবে চকু



মুদিলে; তাৰ পাছত, চকু মেলি চাই, মিচিকীয়াই হাঁহি মাৰি ক'লে, "বোপা, তোমাৰ সদৃশ মানৱ কদাপি জগতত জন্ম গ্ৰহণ কৰা নাছিল। তুমি প্ৰকৃততেই অভিনৱ আৰু অপূৰ্ব। হে পুত্ৰ! তোমাৰ নাম হওক 'অপূৰ্ব'।"

"ধন্যবাদ। —মই এতিয়া গুহাৰপৰা ওলাব পাৰোঁনে?" অপূৰ্বই সুধিলে।

"নিশ্চয় নিশ্চয়। তুমি এই সংকীৰ্ণ গুহাৰপৰা বহিৰ্গত হৈ বিপুল বিশ্বলৈ পদক্ষেপ কৰাঁ, পুত্ৰ!" মুনিয়ে মৰমেৰে অপূৰ্বক ক'লে।

অপূৰ্বই মুনিক সাষ্টাংগে প্ৰণাম কৰিলে আৰু পাছ মুহূৰ্ততেই গুহাৰ বাহিৰলৈ বুলি খোজ বঢ়ালে।

অকস্মাৎ অপূৰ্বৰ দৃষ্টি ঠৰ হ'ল, ভ্ৰু কোঁচ খাই পৰিল। অপূৰ্বই আবেগৰ জোৱাৰত উটি গৈ কৈ উঠিল, "অঃ! মই এয়া কি শুনিছোঁ! দীন-দুখীসকলৰ এই আৰ্তনাদ মই সহিব নোৱৰা হৈছোঁ। এয়ানো কি দেখি আছোঁ মই? সকলোতে অগ্নিকুণ্ড! জ্বলি থকা ঘৰ!"

"কিন্তু—ক'ত? মই দেখোন একো শুনা নাই, বা দেখাও নাই।" মুনিৰ শিষ্য ছোহমে ক'লে।

মুনিয়ে ক'লে, "ছোহম্, অগ্নি-বালক অপূৰ্বই যি দেখা পাব, বা শুনিব, আন কাৰো পক্ষে সি সম্ভৱ নহয়। আমাৰ পক্ষে অ-শ্ৰুত শব্দ, আমাৰ পক্ষে অদৃষ্ট দৃশ্য—এই অপূৰ্বই শুনিব-মনিব পাৰিব। আনকি সি সাধাৰণ মানুহৰ তুলনাত বহুগুণ অধিককৈ গতিও ল'ব পাৰিব।"

"পিতা! এতিয়া মোক আজ্ঞা কৰক। ক'ত কি হৈছে-নহৈছে মই চাওঁগৈ।" অপূৰ্বই ক'লে।

"হয়, পুত্ৰ, এতিয়া তুমি গৈ থাকা। ঈশ্বৰ সতত তোমাৰ সহায় হওক।" মুনিয়ে অপূৰ্বক তেওঁৰ বুকুত আঁকোৱালি লৈ আশীৰ্বাদ কৰিলে।

"বোলোঁ — হেই ধোদৰ পচলাইঁত! জমিদাৰ ডাঙৰীয়াৰ ঘৰটো যদি ঠিকমতে সময়মতে সুন্দৰমতে বনাবলৈ তহঁতে কাম নকৰিছ মাৰিছ জানিবি—মৰিছ। বুইছ?" এই বুলি কৈ কৈ জমিদাৰৰ বিশ্বস্ত টেমেকাইঁতে দুখীয়াইঁতৰ পঁজাবিলাকত জুই লগাবলৈ ধৰিলে।

দুখীয়াইঁতে কান্দি কান্দি ক'লে, "অমি জমিদাৰ ডাঙৰীয়াৰ কাৰণে কি কাম কৰা নাই? তেওঁ যি কৈছে, তাকে কৰিছোঁ দেখোন। কিন্তু প্ৰতিদিন যদি বিনা পইচাৰে তেওঁৰ কামকে কৰি থাকিব লাগে—আমাকনো খুৱাব কোনে?"

কিন্তু জমিদাৰৰ টেমেকাইঁতে ঘৰবিলাকত জুই লগায়েই থাকিল।

অকস্মাৎ ক'ৰবাৰপৰা জুইত ধাৰাসাৰ পানী পৰি থাকিল। আকাশত কিন্তু মেঘ-বৰষুণ নাছিল। টেমেকাইঁতে ইফালে-সিফালে ঘূৰি চাই বহু দূৰত থকা নৈখনত এজাক হাতীৰ শুঁৰবিলাক দেখা পালে। হাতীবিলাকে জমিদাৰৰ টেমেকাইঁতেলৈ পিচকাৰীৰ দৰে পানী মাৰি থাকিল আৰু সিহঁতৰ পিনে আগবাঢ়ি আহি থাকিল। এই দৃশ্য দেখি টেমেকাইঁত উবা-জুবাত ক'লৈ যাওঁ কুপাল বুলি লৰৰিব ধৰিলে। এনেতে — ক'ৰবাৰপৰা কোনোবাই হা হাকৈ হাঁহি উঠিল। কিছুমান টেমেকাই পিছফাললৈ ঘূৰি চাই হাতীৰ পিঠিত পুতলাহেন ক্ষুদ্ৰ মানুহৰ লেখীয়া কিবা এটি প্ৰাণীক বহি থকা দেখা পালে। সিহঁতে ভাবিলে: এইটোনো কি! ই মানুহেইনে কোনোবা এটা পোৱালি-ভূত? নে ই কোনোবা দেৱতা?

এই কথা ভাবি ভাবি ভয়ৰ কোবাত ঘামি-জামি লুতুৰি-পুতুৰি হৈ সিহঁতকেটাই সকপানী ছুই ছুই জমিদাৰৰ ঘৰলৈ বুলি হায়ঔ বিঔকৈ উধাতু খাই উৰ্ধশ্বাসে আইঔ বুলি চিঞৰি লৰ ধৰিলে। [আগলৈ]

চং আৰু ৰং

এসময়ত বা কুঞ্জ ৰাজ্যত পুষ্পমিত্ৰ নামৰ এগৰাকী মহান কবি আছিল। এবাৰ শ্ৰীধৰ নামৰ পণ্ডিত এগৰাকীয়ে কবি পুষ্পমিত্ৰৰ কবিতা পাঠ কৰিলে আৰু পাছত পুষ্পমিত্ৰক ক'লে, "কবি মিত্ৰ! তোমাৰ কবিতা দেশৰ ৰজাই শুনিলে তোমাক নিশ্চয় মূল্যবান পুৰস্কাৰ দিব তেওঁ। তুমি ৰাজ-দৰ্শনলৈ ওলোৱা, এয়ে মোৰ পৰামৰ্শ।"

পণ্ডিতৰ কথাত প্ৰভাৱিত হৈ পুষ্পমিত্ৰ ৰাজ-দৰ্শনলৈ ওলাল, ৰজাক কবিতা পাঠ কৰি শুনালে। ৰজাই কবি পুষ্পমিত্ৰক মাথোন পুৰস্কৃত কৰিয়েই ক্ষান্ত নহ'ল, তেওঁ পুষ্পমিত্ৰক ৰাজ দৰবাৰত সভাকবি হিচাপে নিযুক্তিও দিলে।

কিছুদিনৰ পাছত ৰাজকবি পুষ্পমিত্ৰই শ্ৰীধৰ পণ্ডিতৰ ওচৰলৈ গ'ল আৰু তেওঁক ক'লে, "এতিয়া মই যিবোৰ কবিতা ৰচি আছোঁ, আগৰ তুলনাত এইবোৰ নিকৃষ্টমানৰ হৈছে বুলি বহুতেই কৈছে, আৰু মোৰো এয়ে মত। কিয় এনেকুৱা হ'ল ক'বনে?"

শ্ৰীধৰ পণ্ডিতে মৃদুকৈ হাঁহি মাৰি ক'লে. "মিত্ৰ, আগৰ কবিতাবোৰ আছিল তোমাৰ; কিন্তু এতিয়াৰবোৰ—তুমিয়েই যদিও ৰচিছা, তথাপি আচলতে ৰজাৰ। কিয়নো—ৰজাক ভাল লগাবলৈহে এতিয়া তোমাৰ কবিতাৰ জন্ম হৈছে। এইদৰে সদায় কবিতাৰ চং কৰি থাকিলে ৰং কেনেকৈ পাবা?"

পণ্ডিতৰ কথাৰ গূঢ়াৰ্থ উপলব্ধি কৰি পুষ্পমিত্ৰই ৰাজতুষ্টিৰ কবিতা এৰি পুনৰ ৰাইজতুষ্টিৰ কবিতা ৰচি খ্যাতিলাভ কৰিছিল।

কর্তব্য আৰু দাসত্ব

অবিচল প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্যই পুনৰ গছৰ ডালত ওলমি থকা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ আউসীৰ ঘুটঘুটীয়া অন্ধকাৰ ফালি ফালি নিজান শ্মশানলৈ বুলি গৈ থাকোঁতে শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "ৰাজন! ইমান সৎ অভিপ্ৰায় থকা সত্ত্বেও তুমি যে তোমাৰ অভীষ্ট মতে ফল পাবা, এই কৰ্তব্যকে দাসত্ব বুলি নাভাবিবা—সেই কথা কোৱা টান। মোৰ মন্তব্য তোমাৰ মনোমত নহ'বও পাৰে; কিন্তু সেই তিনিও ভাই-ককাই আৰু মৃগৰাজৰ কাহিনী শুনিলেই মোৰ এনে অসাৰুৱা যেন লগা মন্তব্যৰ মাজতে কিছু সাৰৱত্তা কিজানি বিচাৰি পাবা। এই কাহিনী শুনিলে অন্ততঃ তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে পুনৰ ক'বলৈ ধৰিলে:

'বেতাল-কথা'

বহু বহু কালৰ আগৰ কথা। দিব্যানন্দ নামৰ মহান পণ্ডিত এগৰাকীয়ে এখন টোল অৰ্থাৎ সংস্কৃত পঢ়াশালি স্থাপন কৰিছিল। তেওঁৰ এই টোল তথা আশ্ৰমৰ এফালে আছিল গভীৰ অৰণ্য, এফালে পাহাৰ, আৰু অন্য এফালে বৈ গৈছিল সুদীৰ্ঘ এখন নৈ।

*

এবাৰ একেলগে এখন দেশৰ তিনিজন ৰাজকোঁৰৰ গুৰু বিদ্যানন্দৰ টোলত বিদ্যাৰ্জনৰ বাবে আহিল। ৰাজকোঁৰহঁতৰ মাজত ডাঙৰজন আছিল সেই দেশৰ ভৱিষ্যৎ-ৰজা।

তিনিওজন ৰাজকোঁৱৰেই আছিল সাধাৰণ বুদ্ধিবৃত্তিসম্পন্ন। ধাৰণা শক্তি তথা ধাৰণশক্তি বুলিবলৈএই তিনিজনৰ মাজত এজনৰো প্ৰায় একো নাছিল। তথাপি —গুৰু দিব্যানন্দই বহু শ্ৰম কৰি তিনিওকো বিদ্যাদান কৰিছিল।

*

গুৰু বিদ্যানন্দই ৰাজকুমাৰহঁতক কোনো-বিধৰ মন্ত্ৰ-তন্ত্ৰ শিকোৱা নাছিল; কিন্তু গুৰু বিদ্যানন্দই কেতিয়াবা কিবা ক'বলৈ ওলোৱা মাত্ৰেই সিহঁতে গুৰুৰ তালপতীয়া পুথিত থকা মন্ত্ৰ-তন্ত্ৰসমূহ পঢ়িছিল, আৰু মনত ৰাখিব পাৰিছিল।

*

এই টোলতে গোবিন্দ নামৰ এজন বিদ্যাৰ্থী আছিল। গোবিন্দই গুৰুৰপৰা যোগবিদ্যা শিকিছিল আৰু শিক্ষাৰ অন্তত গুৰুৰ আশ্ৰমতে জীৱন যাপন কৰিব আৰু ভৱিষ্যতে যোগী হ'ব বুলি অভিপ্ৰায় প্ৰকাশ কৰিছিল।

*

গুৰু বিদ্যানন্দই গোবিন্দক অতি মৰম কৰিছিল। বিদ্যানন্দই এই কথাটোও জানিছিল যে—তেওঁৰ মৃত্যুৰ অন্তত কেৱল এই গোবিন্দইহে এই গুৰুকুল অৰ্থাৎ টোল চলাব পাৰিব। কিন্তু গোবিন্দৰ মাজত

এতিয়াও যে সেই পৰিপক্কতা অহা নাই, আৰু তাৰ মনত যে ধন-সম্পদ তথা নাম-যহৰ মোহ বিদ্যমান—গুৰুৱে সেই কথাও নজনাকৈ নাছিল।

*

এনেতে খবৰ আহিল—ৰাজকুমাৰ-ত্ৰয়ৰ পিতৃদেৰ অসুখত শয্যাগত হৈ পৰিছে। ৰাজকুমাৰত্ৰয়ে নিজে নিজেই ৰাজধানীলৈ যাবলৈ ব্যস্ত হৈ উঠিল আৰু পিতাদেৱৰ অসুখৰ কথাটো গুৰু বিদ্যানন্দক ক'লে।

গুৰু বিদ্যানন্দই ৰাজকুমাৰহঁতক ক'লে, "তোমালোকৰ বিদ্যাৰ্জন সমাপ্ত হ'ল, এতিয়া তোমালোকে গুৰুকুল এৰি ৰাজধানীলৈ যাব পাৰা। ৰাজধানীৰপৰা তোমালোকক লৈ যাবলৈ কোনো অহালৈ যদি ৰৈ থকাৰ মন নাই বা ধৈৰ্য্য নাই, আমাৰ গোবিন্দই তোমালোকক আগবঢ়াই লৈ আহিবলৈ আৱশ্যক হ'লে কিবা বিপদ আপদত গোবিন্দই তোমা-লোকক পৰামৰ্শ দিব পাৰিব, বা ৰক্ষাও কৰিব পাৰিব।"

ডাঙৰ ৰাজকুমাৰে গুৰু বিদ্যানন্দক ক'লে, "আপোনাৰ এই পৰামৰ্শ অতি সময়োচিত, গুৰুদেৱ! গোবিন্দৰ ওপৰত আমাৰ পূৰ্ণ আস্থা আছে।"

"পুত্ৰ, মোৰ পৰামৰ্শ গ্ৰহণ কৰাত মই তোম লোকৰ ওপৰত তুষ্ট হৈছোঁ। তুমি যেতিয়া ৰজা হ'বা, তেতিয়াও গোবিন্দক তোমাৰ পৰামৰ্শদাতা তথা মহামন্ত্ৰী হিচপে ল'লে মই ভাল পাম।"

"আপোনাৰ প্ৰস্তাৱ তথা আদেশ শিৰোধাৰ্য্য। গোবিন্দক মোৰ পৰামৰ্শ-দাতা মাত্ৰ নহয়, দেশৰ মহামন্ত্ৰীৰূপে নিযুক্তি দিম।" ডাঙৰ ৰাজকুঁৱৰে গুৰু বিদ্যানন্দক ক'লে।

তাৰ পাছত বিদ্যানন্দ গুৰুৱে গোবিন্দক একান্তভাৱে এইবোৰ কথা বিবৰিলে আৰু তৎপৰ ক'লে, "গোবিন্দ, এওঁলোকক

বিপদ-আপদৰপৰা ৰক্ষা কৰি তুমি এওঁলোকৰ ৰাজধানী পৰশপুৰলৈ সুস্থভাবে লৈ যাবা। এই শক্তি তথা বুদ্ধি তোমাৰ মাজত নিশ্চয় আছে।

“গুৰুজী, বিদ্যাৰ্জন সমাপ্ত হোৱাৰ অন্ততো আপোনাৰ শিষ্যৰূপে ইয়াতে জীৱন-নিৰ্বাহৰ মোৰ মন মই আন ক'লৈকো নাযাওঁ-নাথাকোঁ।” সকলো কথা শুনাৰ অন্তত গোবিন্দই ক'লে।

গুৰু বিদ্যানন্দই নীৰৱ মৃদু হাঁহিৰে ক'লে, “গোবিন্দ, তুমি মোৰ প্ৰিয় শিষ্য। তোমাৰ মন যে সামাজিক প্ৰতিষ্ঠালৈ আসক্ত, মই জানো। সত্য তথা ন্যায়ধৰ্ম পালন কৰি কেনোবা এখন দেশৰ মহা মন্ত্ৰীৰ পদত আসীন হৈ থকাটোও কম কৃতিত্বৰ কথা নহয়, কম কঠিন কাৰ্য্য নহয়। তথাপি যদি তুমি মন্ত্ৰী-পদ এৰি পুনৰ আশ্ৰমজীৱনলৈ উভতি আহাঁ, মই নিশ্চয় তোমাক আদৰি ল'ম। —এতিয়া তুমি ৰাজকুমাৰহঁতক সুকলমে ৰাজধানীলৈ পৌছাই দিয়া।”

পাছদিনা এই ৰাজকুমাৰহঁত আৰু গোবিন্দই মিলি ৰাজধানীলৈ বুলি ৰাওনা হ'ল। গৈ গৈ সিহঁতে দুপৰীয়াৰ পৰতে এক গভীৰ অৰণ্যৰ সমীপৱৰ্তী হৈ, এজোপা বৃক্ষতলত বহি খোৱা-বোৱা কৰিলে। তাত অলপমান আঁতৰত ভালে কেইডালমান হাড়ৰ টুকুৰা পৰি আছিল। সৰু ৰাজকোঁৱৰে কৈ উঠিল, “এইবোৰ হ'ল সিংহৰ হাড়। মই মোৰ মন্ত্ৰশক্তিৰে এইবোৰ হাড় একেলগ কৰি এই মৰা সিংহটোৰ কংকাল অতি সহজভাৱে সাজি দিব পাৰোঁ।”

“তুমি যদি কংকাল সাজিব পাৰা, মই মোৰ মন্ত্ৰশক্তিৰে সেই কংকালত তেজ-মঙহৰ সৃষ্টি—হেলাৰঙে কৰিব পাৰোঁ।” দ্বিতীয় ৰাজকোঁৱৰে অত্যন্ত দৃঢ়তাৰে সৈতে ক'লে।

“তেতিয়া মই সেই মৰা সিংহটোক

জীয়াই তুলিব পাৰিম।" ডাঙৰজন ৰাজকোঁৱৰে ক'লে, "মোৰ অধিগত জীয়ন-মন্ত্ৰেৰে এই কাম নিমিষতে সমাধা হ'ব —এই কথা ধ্ৰুৱ।"

"ৰ'বা বন্ধুসকল, তোমালোকে এনে কাম কৰাৰপৰা নিৰস্ত হোৱা।" গোবিন্দই কৈ উঠিল, "এনে কাৰ্য্যই আমাৰ নিৰাপত্তাৰ পক্ষে ঘোৰ বিপদজনক অৱস্থাৰ সৃষ্টি কৰিব পাৰে।"

কিন্তু ৰাজকোঁৱৰহঁতে গোবিন্দৰ এই নিষেধবাণীলৈ কৰ্ণপাত নকৰিলে। এই কথা ভাবি সিহঁতে ভাল পালে যে—সিহঁতে যদি সিংহৰ পিঠিত উঠি ৰাজধানী ওলাবগৈ পাৰে—তেতিয়া এক অত্যাশ্চাৰ্য্য দৃশ্যৰ সৃষ্টি হ'ব।

গোবিন্দই পুনৰ এবাৰ সাৱধান কৰিলে সিহঁতক। কিন্তু তাৰ পাছতো যেতিয়া সিহঁত নিৰস্ত নহ'ল, তেতিয়া নিৰুপায় গোবিন্দ এজোপা ওখতকৈয়ো ওখ গছত উঠিলগৈ।

চাওঁতে চাওঁতে সৰু ৰাজকোঁৱৰে অ'ত ত'ত সিঁচৰিত হৈ পৰি থকা সিংহৰ হাড়বোৰ মন্ত্ৰবলেৰে যোৰা লগাই পেলালে, মাজুৰে সেই যোৰা লগোৱা সিংহটোৰ কংকালৰ গাত তেজ-মঙহৰ সৃষ্টি কৰিলে আৰু ডাঙৰ ৰাজকোঁৱৰেও তৎক্ষণাৎ মৰা সিংহটোত প্ৰাণ সঞ্চাৰ কৰিলে।

আৰু লগে লগে সেই পুনৰ্জীৱিত সিংহটোৱে বিৰাট গৰ্জনেৰে অৰণ্য কঁপাই ৰাজকোঁৱৰহঁতলৈ ভয়াল দৃষ্টিৰে চালে আৰু সিহঁতক ধৰি খাবলৈ জঁাপ মাৰিবলৈ উপক্ৰম কৰিলে।

তেতিয়া বৃক্ষশাখাৰপৰা গোবিন্দই চিঞৰি উঠিল, "হে মৃগৰাজ! ৰ'বা, জঁাপ নামাৰিবা।"

গোবিন্দই এইবোৰ পশু-পক্ষীৰ ভাষা বুজি পাইছিল। গোবিন্দৰ এই কথা শুনি মৃগৰাজে অৰ্থাৎ সিংহটোৱে গোবিন্দলৈ

অবিবেকৰ কথাত আলোচনা চলি থাকিল। ইত্যৱসৰত সেই ৰাজকুমাৰহঁত তাৰপৰা পলাই গ'ল।

অৱশেষত মৃগৰাজে ক'লে, "মোৰ প্ৰাণদাতা হ'ল বুলিয়েই মই সিহঁতক ধৰি খাব নোৱাৰিম—এই কথা মই মানি ল'ব নোৱাৰোঁ। কিয়নো—নিজ নিজ প্ৰাণ সৰাতোকৈ মূল্যৱান আৰু প্ৰাণৰক্ষাৰ কাৰণে ক্ষুধাৰ নিবৃত্তি অত্যন্ত আৱশ্যক। আৰু—সম্প্ৰতি ৰাজকুমাৰহঁতেই মোৰ একমাত্ৰ আহাৰ্য্য।"

হে মৃগৰাজ, তুমি মোক বধ কৰি ক্ষুধাৰ নিবৃত্তি কৰা।" গোবিন্দই ক'লে, আৰু সেই বৃক্ষৰজোপাৰ পৰা নামি অহাৰ প্ৰস্তুতি ল'লে।

গোবিন্দক নমাৰপৰা বাধা দি মৃগৰাজে ক'লে, "ৰ'বা, হে মানৱ! মোৰ সামান্য কথা এটাৰ উত্তৰ দিয়া। এই জগতৰ প্ৰাণীমাত্ৰেই জীয়াই থাকিব লাগে কিহৰ প্ৰয়োজনত?"

কেইমুহূৰ্তমানলৈ নিৰৱ হৈ থকাৰ অন্তত গোবিন্দই মৃগৰাজক ক'লে, "জীৱনৰ গতি বৃদ্ধিৰ প্ৰয়োজনত, অৰ্থাৎ অজ্ঞানতা-ৰূপী অন্ধকাৰৰপৰা ওলাই আহি জ্ঞানৰূপী আলোকৰ সন্দৰ্শনৰ প্ৰয়োজনত।"

মৃগৰাজে ক'লে, "হে মানৱ! মই কি ওপৰমুৱা হৈ চালে।

গোবিন্দই সিংহটোক সুধিলে, "মৃগৰাজ, তুমি তোমাৰ প্ৰাণদাতাহঁতকে বধ কৰিবানে? এই কাৰ্য্য তোমাৰ পক্ষে ন্যায়কাৰ্য্য হ'বনে?"

মৃগৰাজে শান্ত কণ্ঠেৰে ক'লে, "সৌ ৰাজকুমাৰ তিনিজনে যে মোক জীয়াই তুলিছিল—মই কেনেকৈ জানিম? যি কি নহওক—মোক জীয়াই তোলাৰ লগে লগে মোৰ ভোকো লাগিল এই ভোক শতিকাজোৰা ভোক।"

তাৰ পাছত গোবিন্দ আৰু মৃগৰাজৰ মাজত ধৰ্ম-অধৰ্ম, ন্যায়-অন্যায়, বিবেক-

বিচৰা উচিত—তুমিয়েই মোক কৈ দিলা। ৰাজকুমাৰহঁত মোৰ প্ৰাণদাতা—এই কথা তুমি মোক নোকোৱাহেঁতেন সিহঁতক মই নিশ্চয় বধি খালোহেঁতেন। তুমি মোৰ জ্ঞানদাতা গুৰু। গতিকে—তোমাকনো মই বধি খাওঁ কেনেকৈ? কিন্তু মই ক্ষুধাত অতি কাতৰ হৈ পৰিছোঁ, ক্ষুধাৰ নিবৃত্তিৰ কিবা উপায় দিয়া।"

"তোমাৰ বাক্য তথা যুক্তি অখণ্ডনীয় তথা প্ৰশংসনীয়। কিন্তু মই ৰাজকুমাৰ-হঁতৰ ৰক্ষকৰূপে সিহঁতক লৈ আহিছোঁ। গতিকে—তুমি মোকেই বধি খোৱা।" গোবিন্দই মৃগৰাজক ক'লে।

তিমানতে ৰাজকোঁৱৰহঁতে ছুজনমান চিকাৰীক লৈ আহিছিল। গোবিন্দই ৰাজকুমাৰহঁতক মৃগৰাজক বধিবলৈ হাক দিলে। কিন্তু তাৰ আগতেই চিকাৰী এজনে মৃগৰাজক কঁড়িয়াই বধিলে।

মৃগৰাজৰ মৃত্যুত সেই ৰাজকোঁৱৰহঁত আনন্দিত হ'ল। গোবিন্দ বৃক্ষৰপৰা নামি আহিল। ডাঙৰ ৰাজকুমাৰে গোবিন্দক নমস্কাৰ কৰি ক'লে, "আমি তোমাৰ ওচৰত অতি কৃতজ্ঞ। তোমাৰ ওপৰত আস্থা স্থাপনকাৰীক তুমি বিপদকালত বাস্তৱিকেই ৰক্ষা কৰিব পাৰা।"

"নহয়—নহয়, মই নোৱাৰোঁ।" গোবিন্দই লগে লগে কৈ উঠিল।

"আমাৰ এই প্ৰশংসা তোমাৰ প্ৰাপ্য। গোবিন্দ, তুমি প্ৰকৃততেই প্ৰাণৰক্ষাকাৰী। বাৰু, এতিয়া আমি পুনৰ যাত্ৰা কৰিম। মই তোমাক নিশ্চয় মোৰ মহামন্ত্ৰী পাতিম আৰু ৰজাৰ পিছত—তুমিয়েই হ'বা দেশৰ সৰ্বাধিক ধনৱান-সম্পদৱান ব্যক্তি।" ডাঙৰ ৰাজকোঁৱৰে ক'লে, "তিনিজন ৰাজকোঁৱৰক যমৰ গৰাহৰপৰা ৰক্ষা কৰাটো সামান্য কথা নহয়।"

গোবিন্দই মুহূৰ্তমানলৈ থমকি ৰোৱাৰ পাছত ক'লে, "তোমাৰ ধন-সম্পদেৰে মই দুখীয়ো দুখী হৈ পৰিম। তোমালোকে

এই চিকাৰী দুজনক লগত লৈ ৰাজধানীলৈ যোৱা। মই গুৰুজীৰ আশ্ৰমলৈ উভতি যাম।" এই কথা কৈ, গোবিন্দ তৎমুহূৰ্ততেই তাৰপৰা গুচি গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! গোবিন্দই ৰাজকুমাৰহঁতক সিংহৰ গৰাহৰপৰা ৰক্ষা কৰিছিল। কিন্তু—তথাপি তাৰ ওপৰত আস্থাস্থাপনকাৰীক সি বিপদত ৰক্ষা কৰিব নোৱাৰে বুলি কিয় কৈছিল গোবিন্দই? আৰু—ৰাজকোঁৱৰে অপাৰ ধন-সম্পদ দিলে গোবিন্দ কিয় দুখীয়াৰো দুখীয়া হ'ব বুলি কৈছিল? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি নিদিয়া—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব!"

বিক্ৰমাদিত্যই বেতালক ক'লে, "ক্ষুধাৰ্ত সিংহক বিভিন্ন যুক্তিপূৰ্ণ কথাৰে বশ কৰি গোবিন্দই ৰাজকুমাৰহঁতক ৰক্ষা কৰিছিল, কিন্তু সিংহৰাজে গোবিন্দৰ ওপৰত ৰাজকুমাৰহঁততকৈও বহু অধিক বিশ্বাস তথা আস্থা স্থাপন কৰা সত্বেও গোবিন্দই নিৰ্দোষ সিংহটোক ৰক্ষা কৰিব নোৱৰাত অনুতপ্ত হৈহে সেই কথা কৈছিল। আৰু মৃগৰাজৰ সৈতে আলোক-অন্ধকাৰৰ আলোচনাক্ৰমে গোবিন্দই এই কথা পৰিষ্কাৰৰূপে উপলব্ধি কৰিছিল যে—ৰজা জনকৰ দৰে সংসাৰত সুখ-ভোগ-বিলাসিতাৰ মাজত থাকিও যোগীৰ শুদ্ধ জীৱন যাপন কৰা তাৰ দৰে সাধাৰণ মানুহৰ পক্ষে সম্ভৱ নহ'ব। সেইহে—যোগীৰ পবিত্ৰ জীৱন পাবলৈ হ'লে ধন-সম্পদৰ লোভ পৰিহাৰ কৰিব লাগিব। গোবিন্দই যোগীৰজীৱন বাছি লৈ মন্ত্ৰিত্ব তথা ধন-সম্পদৰ দাসত্বপৰিহাৰ কৰিছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[মনোজ দাস-ৰচিত কাহিনীৰ আলমত]

তেওঁসৱৰ স্বপ্নৰ ভাৰত

আমি এক হৈ থাকিম !

ডং ৰাজেন্দ্ৰপ্ৰসাদ আছিল ভাৰতৰ অন্যতম মহান ৰাজনীতিজ্ঞ। ১৮৮৪ চনত বিহাৰ ৰাজ্যত তেওঁ জন্মগ্ৰহণ কৰিছিল। তেওঁ আছিল তেতিয়াৰ কালৰ এগৰাকী বিখ্যাত উকীল। কিন্তু স্বাধীনতা সংগ্ৰামত যোগদান কৰি তেওঁ ওকালতিৰ কাৰ্য্য পৰিত্যাগ কৰিছিল।

স্বাধীন ভাৰতত ১৯৫০ চনত, ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি আছিল ৰাজেন্দ্ৰপ্ৰসাদ। ১৯৫২ আৰু ১৯৫৭ চনতো ৰাষ্ট্ৰপতি হিচাপে তেওঁ পুনৰ নিৰ্বাচিত হৈছিল। ১৯৬২ চনত তেওঁ স্বৰ্গী হৈছিল।

১৯৫৬ চনৰ ১৭ অগাস্টৰ দিনা মাদ্ৰাইত এক ভাষণত ডং ৰাজেন্দ্ৰপ্ৰসাদে কৈছিল :

"আমাৰ ৩৬০০ লাখতকৈও অধিক জনগণে আজিৰ পৃথিৱীত নিজ দায়িত্ব সুষ্ঠুভাবে পালন কৰিব পাৰিব। যদি আমি পুনৰ বিভক্ত হওঁ, 'এক ভাৰত'ৰ ঠাইত অনেক স্বতন্ত্ৰ ৰাজ্যলৈ পুনৰ ৰূপান্তৰিত হওঁ, তেতিয়া কি পৰিণাম হ'ব, অলপ ভাবি চাওক। কোৱা হয় যে—কলিযুগত একতায়েই হ'ল প্ৰকৃত শক্তি। সেইহে আজি আমি ৩৬০০ লাখ জনতাই 'এক মাথোন' হৈ একাত্ম হ'ব লাগিব। আমি মনত ৰাখিব লাগিব—'বৈচিত্ৰ্যৰ মাজত একতা'য়েই হ'ল আমাৰ আদৰ্শ।"

আমি জানো নে ?

১. ভাৰত, বৃটেইন, জাপান, আমেৰিকা আৰু ছোভিয়েতৰ সংসদৰ নাম যথাক্ৰমে কি কি ?
২. পৃথিৱীৰ আটাইতকৈ বৃহৎ ৰাষ্ট্ৰ কোনখন ?
৩. সেই বৃহৎ ৰাষ্ট্ৰখন কোনোৱা মহাদ্বীপত, বা ইউৰোপ বা এছিয়াত আছেনে ?
৪. দ্বিতীয় বৃহৎ ৰাষ্ট্ৰখন কোন মহাদেশত বিদ্যমান ?
৫. আৰু যথাক্ৰমে তৃতীয়, চতুৰ্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তম স্থানাধিকাৰী বৃহৎ ৰাষ্ট্ৰসমূহৰ নাম কি ?

[উঃ ৩৬ পৃঃ]

গ ণ প তি



যিকোনো ধৰ্মীয় অনুষ্ঠানৰ আৰম্ভণীত বা কোনো দেৱ-দেৱীৰ পূজানুষ্ঠানৰ আগে আগে গণপতিৰ পূজা ভাৰতৰ হিন্দু সমাজত এক অতি আৱশ্যকীয় অনুষ্ঠান। গণপতিক গণেশ আৰু বিনায়ক নামতো অভিহিত কৰা হয় আৰু এইবোৰ নামতো ভাৰতৰ ঘৰে ঘৰে গণপতি খ্যাত। গণপতি হ'ল 'গণ'ৰ নেতা—উক্ত তিনিও নামৰপৰা এই কথা ওলাই পৰে। গণপতিকে বিঘ্নেশ্বৰ বা বিঘ্ননাশক বুলিও কোৱা হয় আৰু এই ৰূপে গণপতিক মান্যও কৰা হয়।

আই পাৰ্বতীয়ে গণেশ তথা গণপতিক সৃজিছিল। সেইবাবে গণপতিক

শিৱ-পাৰ্বতীৰ পুত্ৰৰূপে মান্য কৰা হয়। গণপতিৰ মস্তকৰ বিষয়ে বহুবিধ কাহিনী আছে। এটি কাহিনীত কোৱা হৈছে যে— শনি দেৱতাই গণেশলৈ দৃষ্টিপাত কৰাত গণেশৰ মস্তক নোহোৱা হৈছিল। তেতিয়া হাতে ঢুকি পোৱাত অন্য একো নথকাত এটি হস্তী-মুণ্ড গণপতিৰ অদৃশ্য মস্তকৰ ঠাইত স্থাপন কৰা হৈছিল। কাহিনীৰ সত্যাসত্য যিয়েই নহওক, গণপতিৰ এই ৰূপো আকৰ্ষণীয়।

গণপতি যিহেতু 'সিদ্ধি' (সাফল্য) আৰু 'বুদ্ধি'ৰ (জ্ঞান) বিতৰণকাৰী দেৱতা, সিহেতুকে, উক্ত বিশেষ গুণদ্বয়ক গণপতিৰ সহচৰ বা সহচৰীৰূপে প্ৰদৰ্শিত হয়।

সম্বাদ-বি-সম্বাদ



কণ-ফ'ন !

জাপানে অতি ক্ষুদ্ৰ আৰু মাত্ৰ দহ আউন্স ওজনৰ টেলিফোন নিৰ্মাণ কৰিছে। এই ফোন দেখাত ক্ষুদ্ৰ কিন্তু শব্দত উগ্ৰ। শব্দক বহুগুণে বঢ়াইহে এই কণ-ফোনে মাত-বোল পৰিৱেশন কৰে। অন্যান্য প্ৰচলিত টেলিফোনৰ তুলনাত এই কণ-ফোন নানা গুণে ভাল।

বগা বাঘৰ কথা

এই উজ্জ্বল বৰণীয়া বাঘবোৰ পৃথিৱীৰ এক অমূল্য প্ৰাণী। ওড়িশাৰ (উৰিষ্যা) প্ৰখ্যাত চিৰিয়াখানা 'নন্দন কানন'ত এই বিশেষ শ্ৰেণীৰ বগা-বাঘ দেখিবলৈ পোৱা যায়। এই নন্দন কানন নামৰ পাৰ্কৰ মাজেদি গাড়ী চলাই যাব পাৰি আৰু পাৰ্কৰ এটা স্তম্ভত উঠি বগা-বাঘ চাব পাৰি।

সাহিত্যৰ ফুলনিত

১. হেৰোডোটাছক 'ইতিহাসৰ জনক' উপাধি কোনে দিছিল ?

২. ইংৰাজি সাহিত্যত ডাঙৰৰ কাৰণে লিখিত ব্যংগ-গ্ৰন্থ এখন পাছত শ্ৰেষ্ঠ শিশু-সাহিত্য হৈ পৰা গ্ৰন্থখনৰ নাম কি ?

৩. চৰকাৰীভাৱে স্বীকৃত ভাৰতীয় ভাষাৰ সংখ্যা কিমান ?

৪. এই ভাষাসমূহ কি কি ?

৫. সৰ্বাধিক সংখ্যক মানুহৰ দ্বাৰা কথিত ভাৰতীয় ভাষা কোনটো ? যথাক্ৰমে সৰ্বাধিক-কথিত আৰু চাৰিটা ভাৰতীয় ভাষা কি কি ?

উত্তৰ

জানোনে ?

১. যথাক্ৰমে লোকসভা আৰু ৰাজ্যসভা ; হাউছ অভ্ কমন্স আৰু হাউছ অভ্ লৰ্ডছ, ডায়েট ; কংগ্ৰেছ ; ছুপ্ৰিম ছোভিয়েত।

২. ইউ. এছ. এছ. আৰ (ছোভিয়েত ৰুছ)।

৩ ইউৰোপ আৰু এছিয়াতো বিস্তৃত।

৪. উত্তৰ আমেৰিকাত, কেনাডা।

৫. চীন, আমেৰিকা, ব্ৰাজিল, অষ্ট্ৰেলিয়া আৰু ভাৰত।

সাহিত্য

১. খৃষ্টপূৰ্ব প্ৰথম শতিকাৰ ৰোমীয় বাগ্মী আৰু দাৰ্শনিক ছিছেৰোই।

২. জোনাথন সুইফ্‌ট, ৰচিত 'গালিভাৰছ ট্ৰাভেলছ'।

৩. পোন্ধৰ।

৪. অসমীয়া, বাংলা, গুজৰাটী, হিন্দী, কন্নড়, কাশ্মিৰী, মালয়ালম্, মৰাঠী, ওড়িয়া, পঞ্জাবী, সংস্কৃত, তামিল, তেলুগু, উৰ্দু আৰু সিন্ধী।

৫. হিন্দী। তাৰ পাছত যথাক্ৰমে—তেলুগু, বাংলা, মৰাঠী আৰু তামিল।

জগতৰ পৌৰাণিক কাহিনী (৪)

সাহেই হ'ল সিদ্ধি !

ৰাজকোঁৱৰ বেলেৰ'ফনে আৰ্গ'ছৰ ৰজা প্ৰ'য়েটাছৰ আতিথ্য গ্ৰহণ কৰিলে। সুন্দৰ আৰু বুদ্ধিমান এই ৰাজকোঁৱৰক দেখি ৰজা প্ৰ'য়েটাছৰ মনত ঈৰ্ষাৰ জুই জ্বলি উঠিল। তেওঁ বেলেৰ'ফনক হত্যাৰ আঁচনি পাঙি থাকিল।

"হে যুবক, তুমি দ্ৰুতগতিৰে অশ্ব চলাব পাৰা, মই জানো। তুমি মোৰ এখন চিঠি মোৰ শহুৰদেউতা লিচিয়াৰ ৰজা জোবাটেছলৈ কঢ়িয়াই লৈ যাব পাৰিবানে ?" ৰজা প্ৰ'য়েটাছে বেলেৰ'ফনক সুধিলে। বেলেৰ'ফন সন্মত হ'ল।



এই চিঠিত বেলেৰ'ফনক হত্যা কৰাৰ বাবে ৰজা জোবেটাছক অনুৰোধ কৰা হৈছিল। ঠিক সেই সময়ছোৱাত লিচিয়া ৰাজ্যৰ পাহাৰত চিমেইৰা নামৰ ভয়ংকৰ ৰাক্ষস এটা ক'ৰবাৰপৰা ওলাইছিল আৰু লিচিয়াত ভীতিৰ সৃষ্টি কৰিছিল।



ৰজা জোবটোছে বেলেৰ'ফনক চিমেইৰা নামৰ ভয়ংকৰ ৰাক্ষসটোক বধিব পাবিবনে কি সুধিলে। চিমেইৰা নামৰ ৰাক্ষসটোক বধিবলৈ বেলেৰ'ফন জোবে-টাছৰ কথাত মান্তি হ'ল আৰু সেই দুৰণিৰ পাহাৰলৈ বুলি ৰাওনা হ'ল।

চিমেইৰা আছিল প্ৰকৃতিৰ এক অদ্ভুত সৃষ্টি। তাৰ তিনিটা মূৰ আছিল। এটা মূৰ দেখাত ভয়ংকৰ মানুহৰ দৰে, অন্য দুটা মূৰৰ এটা সিংহৰ আৰু আনটো আছিল ছাগলীৰ দৰে। চিমেইৰাৰ মুখেদি সদায় জুই ওলাইছিল আৰু মুখৰ এই জুইৰে-সি তাৰ চিকাৰক জীয়ন্তে পুৰি পেলাব পাৰিছিল।

চিমেইৰাক যেকেনেকৈ বধিব — বেলেৰ'-ফনে ভাবি উলিয়াব নোৱাৰি দেৱী মিনাৰ্ভালৈ প্ৰাৰ্থনা কৰিলে। দেৱী মিনাৰ্ভা বেলেৰ'ফনৰ সমূখত উপস্থিত আৰু তেওঁ বেলেৰ'ফনক পেগেছাছ নামৰ ডেউকা থকা ঘোঁৰা এটা দিলে।

এই ঘোঁৰাটোৰে আকাশতো উৰিব পাৰিছিল। ঘোঁৰাটো আছিল বায়ুৰ দৰে দ্ৰুতগামী, আৰু অকল্পনীয় সাহসী। এইবাৰ বেলেৰ'ফনে সাহসৰে সৈতে ৰাক্ষস চিমেইৰাক বধিবলৈ আগ বাঢ়িল।





উড়ন্ত ঘোঁৰাত উঠি বেলেৰ'ফনে চিমেইৰাক প্ৰচণ্ডভাবে আক্ৰমণ কৰিলে। চিমেইৰাৰ মুখেদি ওলোৱা জুয়ে বেলেৰ'-ফনৰ কোনো অনিষ্ট কৰিব নোৱাৰিলে ; কিয়নো বেলেৰ'ফনে ৰাক্ষস চিমেইৰাক ওপৰৰপৰা আক্ৰমণ কৰিছিল ।ছ

ৰাক্ষস চিমেইৰাক ৰধ কৰাৰ অন্তত ৰজা জোবাটেছে ৰেলেৰ'ফনলৈ আদৰণি জনালে। কিন্তু তেওঁ বেলেৰ'ফনক পুনৰ আন মহা বিপদৰ মাজলৈ নিক্ষেপ কৰিব বুলি পেটে পেটে ভাবি থাকিল।

কিন্তু ইতিমধ্যে ৰজা জোবেটাছৰ ছোৱালীজনী বেলেৰ'ফনৰ প্ৰেমত পৰিছিল। কথাটো জোবেটাছে উপলব্ধি কৰিলে। জোবেটাছেও বেলেৰ'ফনক তাৰ অতুলনীয় সাহসৰ পুৰস্কাৰস্বৰূপে কিবা ভাল উপহাৰ দিয়াৰ ভাবিছিল।

বেলেৰ'ফনে ৰাজকুঁৱৰীক বিয়া কৰালে। আৰ্গোছৰ ষড়যন্ত্ৰী ৰজা প্ৰ'য়েটাছৰ পক্ষে এই বিয়া আছিল এক হৃদয়বিদাৰি ঘটনা। তেওঁ বেলেৰ'ফনক বধ কৰিবলৈহে ইয়ালৈ পঠাইছিল, বিয়া কৰাবলৈ নহয়। তথাপি বিয়া হৈ গ'ল।

লিছিয়াৰ ৰজা জোবেটাছৰ কোনো পুত্ৰ-সন্তান নথকাত এই বেলেৰ'ফনেই লিছিয়াৰ সিংহাসনৰ উত্তৰাধিকাৰী ৰূপে স্বীকৃত তথা অভিষিক্ত হ'ল। ৰজা বেলেৰ'ফনে সুদীৰ্ঘকাললৈ লিছিয়া ৰাজ্য সুকলমে আৰু সুনামেৰে শাসন কৰিছিল।

চুঙা চাই সোপা

চন্দনপুৰ গাঁৱৰ গাঁওবুঢ়া বীৰসিং বৰ বদমাছ মানুহ। আবৈ-উখোৱাৰ গোন্ধ নোপোৱা অবুজনহঁতক বা দুখীয়া-ভুকীয়াহঁতক জোকাই লোৱাত বীৰসিং আছিল ওস্তাদ। নানান ছলাহী কথাৰে আনক ভাঁবি বীৰসিঙে বৰ মজা পোৱা হৈছিল, ভুককাই ভুঁইকঁপত মুলা তুলিছিল।

সেইখন গাঁৱতে বিষ্ণুণ নামৰ এজন আলাভুলা মানুহক এদিন বীৰসিঙে ক'লে, "বোলেঁ। ঐ বিষ্ণুণ, তই যদি প্ৰতিদিন মোৰ ঘৰত কাম-বন কৰি থাকিব পাৰ— ভগৱন্তুই তোক ডাঙৰ মানুহ বনাই দিব।"

কথাটোক সঁচা বুলি ভাবি বিষ্ণুৱে বীৰসিঙৰ ঘৰত নানান ঘৰুৱা কাম-বন বিনা পইচাৰে কৰি থাকিল।

চন্দনপুৰৰ চিকিৎসক শিৱনাথ অতি ভদ্ৰলোক। তেওঁ ৰেমাৰীহঁতক কেতিয়াও টকা-পইচাৰ বাবে জোৰ-জবৰ নকৰিছিল আৰু বহুতকেই একেবাৰে বিনা পইচাৰে চিকিৎসা কৰিছিল।

বীৰসিঙে চিকিৎসক বিশ্বনাথক জোকাই লৈছিল, "বেচাৰা বেজ! ভাবিলে দুখও লাগে, হাঁহিও উঠে। ই আগৰ জনমত বৰ পাপ কৰিছিল। আগৰ জনমত লোকৰপৰা ধাৰ লৈ সুগুজাকৈ মৰিছিল বুলিহে এই জনমত সেই ধাৰ মাৰিব ধৰিছে।"

ল'ৰা-ছোৱালীক পঢ়াই থকা শিক্ষক-সকলক বীৰসিঙে সুধিছিল, "মানুহ মৰাৰ পাছত কি হয় জানেনে?"

শিক্ষকসকলে নজনা বুলি মূৰ জোকাৰিলে বীৰসিঙে কয়, "মৰাৰ পাছত ভূত হয়, আৰু ভূত হৈ ল'-ছালী পঢ়ায়।"

খালেদা বেগম



এই কথা শুনি ল'ৰা-ছোৱালীহঁতে হাঁহি উঠিছিল আৰু শিক্ষকসকলৰ কাণ-মুখ ৰঙা পৰিছিল। কিন্তু তথাপি বীৰসিঙক কোনেও একো নকৈছিল। হাজাৰ হওক — বীৰসিং হ'ল এইখন গাঁৱৰ এজন মুখিয়াল মানুহ।

এইখন গাঁৱৰ ৰাম মন্দিৰৰ পুৰোহিত গোপালশৰ্মাই এদিন তেওঁৰ ঘৰৰ বাৰান্দাত বহি গোবিন্দ নামৰ কুটুম এজনৰ সৈতে কথা পাতি থাকোঁতে দুয়ো হো হোৱাই হাঁহি আছিল। ঠিক তেতিয়াই সেই বাটেদি গৈ থকা বীৰসিঙে সিহঁতৰ ৰং চাই খং কৰি কৈ উঠিল, "হাৰে পূজাৰী বাউনৰ (বামুণ) পো, কিহৰ কাৰণেনো ইমান দুখ? কোৱা, সহায় কৰিম।"

শুনি গোবিন্দৰ তথা লগিল। গোবিন্দই বীৰসিংহক সুধিলে, "হেৰি ডাঙৰীয়া, গোপালে হাঁহিহে আছে, কান্দিলেনো কেতিয়া?—আপুনি বাৰু কোন?"

"অহ্, অহ্! মই পাহৰি গৈছিলোঁ, যে—গোপালে হাঁহি থাকিলেই কন্দা যেন লাগে। কথাটো মই একদম পাহৰি আছিলোঁ।" এই বুলি কৈয়েই বীৰসিং তাৰপৰা গুচি গ'ল।

এই কথা শুনি গোবিন্দই একো নুবুজা হ'ল। গোবিন্দই এই মানুহজনৰ বিষয়ে সোধাত গোপালে ক'লে "ইয়াৰ নাম বীৰসিং, গাঁৱৰ গাঁওবুঢ়া। ই বৰ অসভ্য। পিছে—আমি তাক একো নকওঁ।"

"কিয় নক'ব? অসভ্যক অসভ্যালিৰে দমাব লাগিব। এই বেমাৰৰো দৰব আছে।" গোবিন্দই ক'লে।

এইখন গাঁৱত এক বিচিত্ৰ প্ৰথা আছিল এয়ে যে—বছৰত এদিন গাঁৱৰ মান্য-গণ্য সকলে এঠাইত গোট খাই ডাঙৰ চৰৱং জাতীয় এবিধ মাদক-পানীয় পি-খাইছিল বছৰটোৰ মংগল কামনাৰে।

এইবাৰৰ সেই দিনটোত অন্যান্য সকলোটিৰ সৈতে লগ লাগি গোপাল আৰু

গোবিন্দয়ো মাদক-পানীয় পি-খোৱা হ'ল, কাষত বীৰসিঙো আছিল।

পাছদিনা ৰাতিপুৱা গোবিন্দ বীৰসিঙৰ কাষ চাপি বীৰসিঙক ক'লে, "হেৰি ডাঙৰীয়া, যোৱা ৰাতি ডাঙৰ-চৰৰৎ খাই মই আপোনাক লোকৰ মাজত নিচাৰ প্ৰভাৰত যা-তা কৈছিলোঁ। সেইহে— আজি মই সেই মান্য-গণ্য সকলৰ আগত আপোনাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিম। আপুনি তেওঁলোকক মতাই অনাওক।"

বীৰসিঙে ভাবিলে : বেছ মজা হ'ব। বীৰসিঙে গাঁৱৰ মান্য-গণ্য সকলক মতাই অনালে। তেতিয়া গোবিন্দই গাঁওবুঢ়া বীৰসিঙৰ সমুখত থিয় হৈ ক'লে, " বীৰসিং তুমি বিষুণক আভুৱা ভাঁৰি বিনা পইচাৰে তোমাৰ হকুৰ কাম-বন কৰোৱা বাবে— তুমিও এদিন বিষুণৰ ঘৰত চাকৰ হ'ব লাগিব বুলি কৈছিলোঁ। ভদ্ৰ চিকিৎসক শিৱনাথক পাপী বুলি কোৱাত তুমি বেটাই নৰকৰ কীট হ'বা বুলি মই কৈছিলোঁ। শিক্ষকসকলক ভূত বুলি কোৱাত তোমাক মই প্ৰেত বুলি কৈছিলোঁ। তোমাক বদমাছৰো বদমাছ বুলি, হাৰামৰ নেগুৰ বুলি গালি পাৰিছিলোঁ, জোতাৰে কোবাই তোমাৰ মুখ ফালিম বুলিও কৈছিলোঁ। মই তাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।"

গাঁৱৰ মুখিয়াল এজন গোবিন্দক ক'লে," হৈছে—বোপা, তুমি ক্ষমা প্ৰৰ্থনা নকৰিলেও আৰু হৈছে। তোমাৰ কথাত আমাৰ বীৰসিং গাঁওবুঢ়াৰ নো মএডালিও নলৰিব।"

বীৰসিঙে তাৰ তল-মূৰ ওপৰ কৰিব নোৱাৰিলে।

পাছত, এইদৰে চুণ্ডা চাই সোপা দিয়াত গাঁৱৰ সকলোটিয়েই গোবিন্দৰ সাহসৰ শলাগ ল'লে।

এই ঘটনাৰ পাছৰপৰা বীৰসিঙে কেতিয়াও কাকো জোকোৱা নাছিল।

কথা-চহকীৰ কাইকুতি

বিশাল ৰাজ্যৰ ৰজা আছিল কীৰ্তিবৰ্মাদেৱ। এথাৰ তেওঁৰ ৰাজসভাত চুবুৰীয়া ৰাজ্যৰপৰা প্ৰহাস নামৰ মানুহ এজন আহিল। প্ৰহাস আছিল কথা-চহকী মানুহ।

ৰাজ-দৰ্শন কৰি প্ৰহাসে ৰজাক ক'লে, "মহাৰাজ! আপোনাৰ ৰাজ্যৰ সকলোতে সমৃদ্ধিৰ চিহ্ন চকুত পৰে, ৰাজ্যখনৰ সৰ্বত্ৰ শান্তি বিৰাজিত। কিন্তু—আপোনাৰ ৰাজ্যত মূৰ্খৰ সংখ্যা বাঢ়ি গৈ আছে। মোৰ হিচাপমতে—আপোনাৰ ৰাজ্যত মূৰ্খৰ সংখ্যা এশ বাৰজন।"

মহাৰাজে মুহূৰ্তদিয়েক ভাপ মাৰি থকাৰ অন্তত ক'লে, "আমাৰ ৰাজধানীৰ আশে-পাশে এশ বাৰখন গাঁও আছে। তাৰ মানে—প্ৰতিখন গাঁৱতে এজনকৈ বুদ্ধিহীন?"

"হয়, মহাৰাজ! আপোনাৰ ৰাজ্যত কাজিয়াখোৰী নাই, মাৰ-পিটো নাই। সেইহে—এশ বাৰজন গাঁওবুঢ়াৰো কোনো কাম-বন নাই।" প্ৰহাসে ক'লে।

মহাৰাজ কীৰ্তিবৰ্মাদেৱে হাঁহিলে কিন্তু একো নক'লে।

তেতিয়া ৰাজসভাৰ বিদূষক বিকটহাস্যই মহাৰাজক ক'লে, "মহাৰাজ,, এওঁৰ হিচাপ ভুল। এতিয়া আমাৰ ৰাজ্যত এশ তেৰটা মূৰ্খ আছে।"

"এই ন-মূৰ্খটো কোন?" মহাৰাজে অবাক হৈ সুধিলে।

"এই ন-মূৰ্খটি হ'ল এই প্ৰহাস। সি মহাৰাজক শলাগৰ ছলেৰে শলাগঁঠি লগাবলৈ কাইকুতি দিব ধৰিছে। পুৰস্কাৰৰ আশাৰেহে সি কথাৰে আখৈ ফুটাইছে।" বিকটহাস্যই ক'লে।

বিকটহাস্যৰ বিদ্ৰূপ মন্তব্যত প্ৰহাস অলপো বিচলিত নহ'ল। সি পুনৰ ক'লে, "মই মহাৰাজৰপৰা পুৰস্কাৰৰ আশাৰে আহিছোনে নাই—সেয়া লেগ কথা। মহাৰাজে যদি মোক পুৰস্কাৰ দিয়ে—মোৰ বাকপটুতাৰ কাৰণেহে দিব, মোৰ শলাগনি বা কাইকুতিৰ কাৰণে নিশ্চয় নিদিয়ে। মই এতিয়াও ক'ম, বাৰে বাৰে কৈ থাকিম, মোৰ হিচাপ নিৰ্ভুল।"

মহাৰাজ কীৰ্তিবৰ্মাদেৱে হো হোৱাই হাঁহি উঠিল আৰু তাৰ পাছত ক'লে, "তোমাৰ এইবোৰ কেৱল কথাৰ আখৈয়েইনে বাস্তৱিক—মই ঠাৱৰ কৰিব পৰা নাই। কিন্তু—তুমি পুৰস্কাৰৰ যোগ্য।" এই বুলি কৈ মহাৰাজে নিজৰ ডিঙিৰ স্বৰ্ণহাৰ প্ৰহাসক পিন্ধাই দিলে।

—শাৰদা



সম্পাতিৰপৰা ৰাক্ষসৰজা ৰাৱণৰ সা-সম্ভেদ পাই বানৰসকল ৰঙতে মতলীয়া হ'ল। বানৰসকলে সিংহনাদ কৰি কৰি সাগৰতীৰ পালেগৈ। কিন্তু বিশাল সাগৰৰ ৰূপ দেখি বানৰসকলৰ মনত উথলি উঠা আনন্দ নিমিষতে নাইকিয়া হ'ল।

উথলি উঠা সাগৰৰ বিৰাট ঢৌ দেখি সিহঁত কিছু কম্পমান হৈ উঠিল।

"এতিয়া কি হ'ব ?" বানৰসকলে পৰস্পৰক সুধিলে।

বানৰসকলৰ এই ভীত মনোভাবৰ উমান অংগদে ল'ব পাৰিলে। অংগদে বানৰসকলক ক'লে, "তোমালোকে এই বিক্ষুব্ধ সাগৰ দেখি দমি নাযাবা, হতাশ নহ'বা। নিৰাশা বা হতাশা কোনো গুণ নহয়। হাতাশাৰে আমি নিজক নিজে ধ্বংস কৰিবহে পাৰিম, অন্য লাভ নহ'ব। আমি কিমান শক্তিমান—সেই কথা জগতক প্ৰকৃষ্টভাবে দেখুৱাবৰ এয়েহে সময়। সাহসৰে সৈতে কাম কৰিলেই প্ৰকৃতিয়ে আমাক পুৰস্কৃত কৰিব।"

ৰাতিছোৱা বানৰসকলে সাগৰৰ তীৰতে যাপিলে।

পাছদিনা অংগদে সমস্ত বানৰক উদ্দেশি এইখিনি কথা ক'লে:

"আমাৰ মাজত থকা যিকোনো বানৰবীৰ আগুৱাই আহক—যিজন বীৰ বানৰে এই দুস্তৰ সাগৰ পাৰ হৈ

'হনুমানৰ লংকালৈ গমন'



সীতাদেৱীক চাই আহিবগৈ প্যাৰিব। এনেহেন বানৰশ্ৰেষ্ঠ কোন আছে? লংকা ইয়াৰপৰা এশ যোজন দূৰত্বত অৱস্থিত। যিজনে এই এশ যোজন-বিস্তৃত সাগৰ অতিক্ৰমি লংকালৈ গৈ সীতাদেৱীৰ সা-সম্বেদ লৈ উভতি আহিব পাৰিব, তেওঁ আমাৰ সৌভাগ্যকো কঢ়িয়াই আনিব। তেওঁৰ সহায়তহে আমি পুনৰ ৰাম-লক্ষ্মণ-সুগ্ৰীৱৰ আগত নিজ নিজ মুখ দেখুৱাব পাৰিম। আমাৰ পুত্ৰ-পৰিবাৰৰ মুখবোৰ পুনৰ দেখা পাব পাৰিম। —কিন্তু এই বানৰ বীৰ কোন? কাকনো এই কামৰ বাবে আমি বিচাৰি উলিয়াম? আমাৰ এই বিপুল সংখ্যক বানৰবীৰৰ মাজত কোনে এশ যোজন একলম্ফে পাৰ হৈ যাব পাৰিব?"

কিন্তু অংগদৰ এই প্ৰশ্নৰ উত্তৰ দিওঁতা সেই স্থানত কোনো নোলাল। সকলো বীৰ বানৰেই শিলৰ মূৰ্তিহেন তলমূৰ হৈ নিমাতে বহি থাকিল।

তেতিয়া অংগদে পুনৰ ক'লে, "হে বানৰকুল! তোমালোক এক অপূৰ্ব শক্তিমান বংশোদ্ভূত, অপাৰ লব্ধপ্ৰতিষ্ঠ তথা যশস্বী। তোমালোকৰ মাজত কোনে কিমান দূৰ পাৰ হ'ব পাৰিবা, সেই কথা জানিব পৰা হ'লেহে কিবা এটা উপায় ওলাব পাৰে।"

তেতিয়া কিছুমান বানৰ-বীৰে নিজ নিজ শক্তিৰ বিষয়ে সিহঁতৰ অন্যতম মুখ্য নেতা অংগদক এইদৰে ক'লে:

গজ নামৰ বানৰবীৰে দহ যোজন একলম্ফে পাৰ হ'ব পাৰিব। গৱাক্ষই বিছ যোজন, গবয়ই ত্ৰিছ আৰু শৰণে চল্লিছ যোজন একলম্ফে পাৰ হ'ব পাৰিব। তাৰ পাছত—গন্ধমাদন, মৈন্দ্য, দ্বিবিদ আৰু সুষেণে ক্ৰমে পঞ্চাছ, ষাঠি, সত্তৰ আৰু আশী যোজনলৈকে পাৰ হ'ব পাৰিব বুলি অংগদক বুজাই ক'লে।

তৎপৰ জাম্বৱন্তই ক'লে, "মই এসময়ত

লম্ফ-কাৰ্য্যত অতি কুশল আছিলোঁ। কিন্তু এতিয়া মই বুঢ়া হ'লোঁ। তথাপি— শ্ৰীৰামচন্দ্ৰৰ এই পৰম পবিত্ৰ কাৰ্য্যৰ বাবে চেষ্টা কৰিলে আজিও কিজানি মই একলম্ফে প্ৰায় নৱৈ যোজনলৈকে পাৰ হৈ যাব পাৰিম—মোৰ এই কথাত সন্দেহ কৰিবলগীয়া নাই।"

তেতিয়া অংগদে ক'লে, "মই এশ যোজন পাৰ হ'ব পাৰিম। কিন্তু মই তাৰপৰা পুনৰ উভতি আহিব পাৰিবনে নাই—সেই কথাটোকে নিশ্চয়কৈ ঠাৰৰ কৰিব পৰা নাই।"

অংগদৰ এই কথাৰ উত্তৰত জাম্বৱন্তই ক'লে, "তোমাৰ শক্তিৰ কথা আমি নজনাকৈ আছোঁনে? এশ যোজনেই নহয়, লাগিলে তুমি সহস্ৰ যোজনো অতিক্ৰমি যাব পাৰিবা—এই কথাত আমাৰ তিল-মানো সন্দেহ নাই। কিন্তু তোমাক এই স্থান পৰিত্যাগ কৰি ক'লৈকো যাবলৈ দিয়া নহ'ব। কিয়নো, হে অংগদ, তুমি যদি লংকালৈ গুচি যোৱা, ইয়াত আমাক চলাব কোনে?"

অংগদ পৰিশ্ৰান্ত হোৱা যেন লাগিল। অংগদে জাম্বৱন্তক সুধিলে, "ময়ো নাযাওঁ, তুমিও নোযোৱা যদি—কেনেকৈ কি হ'ব? আমি ইয়াতে মৰি-হজি থাকিমনে? এই কাম নকৰাকৈ আমি আনাক কিষ্কিন্ধ্যা-লৈকো উভতি যাব নোৱাৰিম; সুগ্ৰীৱে আমাক বধিবই। তুমি আমাৰ মাজত সৰাতোকৈ বয়সস্থ। কেনেকৈ কি কৰিম —তুমিয়েই কোৱা।"

তেতিয়া জাম্বৱন্তই অংগদক ক'লে, "কাম হ'ব, নিশ্চয়েই হ'ব। এই কাৰ্য্য যিজনে সুকলমে কৰিব পাৰিব, সেইজন বানৰবীৰ ইয়াতে আছে। ব'লা, তুমি মোৰে সৈতে ব'লা, মই তোমাক আমাৰ সেই মহান তথা মহাশক্তিমান অপৰাজেয় বানৰবীৰক দেখুৱাওঁ।

তাৰ পাছত, অংগদক লগত লৈ



উৰি গৈছিলা। তোমাৰ সমান কোনেনো উৰিব পাৰিব?—এতিয়া সময় সমুপস্থিত। তোমাৰ অপাৰ শক্তিৰ চিনাকি আমাক দিয়া, এই সাগৰ হেলাৰঙে পাৰ হৈ যোৱা।"

পাছ মুহূর্ততে হনুমানৰ দেহ পৰ্বতাকাৰ হৈ উঠিল। সাগৰ পাৰ হোৱাৰ বাবে হনুমান প্রস্তুত হ'ল। সকলো বানৰে বীৰ হনুমানৰ জয়ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি তুলিলে, সিহঁতে সিহঁতৰ ইচ্ছামতে আনন্দৰ নামত সুউচ্চ চিঞৰ বাখৰ কলৰৱ-কোলাহল কৰি জঁপিয়াজঁপি কৰিবলৈ ধৰিলে।

জাম্বৱন্ত মহাশক্তিমান বানৰবীৰ হনুমানৰ ওচৰলৈ গ'ল।

জাম্বৱন্তই হনুমানক ক'লে,"হে হনুমন্ত! বানৰকুলত তুমি মহান। তুমি সৰ্বশাস্ত্ৰতে পণ্ডিত। তুমি কিয় এইদৰে মন মাৰি এচুকত বহি আছা? গৰুড়ৰ ডেউকাত যি অপৰিমেয় শক্তি, সেই শক্তি তোমাৰ বাহুত আছে। পৰাক্রমত তুমি সুগ্ৰীৱ বা লক্ষ্মণতকৈ কোনোগুণে কম নহয়। আৰু —অন্য কোনো প্ৰাণীৰ সৈতে তোমাৰ তুলনা যে অপ্রয়োজনীয়, পুত্র, সেই কথা তুমি নাজানানে? জনম লৈয়েই তুমি সূৰ্য্যদেৱকে ফল বুলি ভাবি ভক্ষণ কৰিবলৈ

হনুমানে বয়সিয়াল বানৰসকলক নমস্কাৰ কৰি ক'লে, "মই বায়ুৰ দৰেই সহজভাবে সাগৰ পাৰ হৈ যাম। মাজত ক'তো নৰওঁ মই। মই—উদয়াদ্ৰিৰপৰা সূৰ্য্যদেৱতাৰ সৈতে ওলাই, সূৰ্য্য দেৱতাৰ আগতেই অস্তাদ্রি পামগৈ, আৰু তাৰ পাছত মই মাজবাটত পুনৰ সূৰ্য্য দেৱতাক লগ ধৰিমগৈ।

"সাগৰ মোৰ পিছে পিছে আহি থাকিব, মই সাগৰৰ আগে আগে গৈ থাকিম। গৈ — সীতামাতৃক চাই আহিম। আৰু এই কথা দৃঢ়তাৰে কৈ যাওঁ — যদি আৱশ্যকর হয় —মই সমগ্র লংকানগৰী-

খনকে দাঙি লৈ আহিম।"

জাম্বৱন্তই হনুমানক ক'লে, "পুত্ৰ, তুমি আমাক দুঃচিন্তাৰপৰা ৰেহাই দিলা। তোমাৰ সফলতাৰ বাবে আমি ভগৱন্তলৈ প্ৰাৰ্থনা কৰিম। আমাৰ আশীৰ্বাদ থাকিল তোমাৰ এবম্বিধ অপাৰ সাহসী কাৰ্য্যলৈ। এতিয়া হে হনুমান! তুমি সাগৰ পাৰ হৈ যোৱা। হে হনুমান! আমাৰ সকলোৰে জীৱন তোমাৰ হাতত, এই কথা তুমি সহস্ৰ কামৰ মাজত মুহূৰ্তৰ বাবেও বিস্মৃত নহ'বা যেন।"

"মই যেতিয়া উৰা মাৰিম, তেতিয়া মোৰ পদভাৰ পৃথিৱীয়ে সহিব নোৱাৰিব। সেই কাৰণে — মই মহেন্দ্ৰ পৰ্বতৰপৰা উৰিম।" এই কথা কৈ সকলোটিৰপৰা যথোচিতভাবে বিদায় লৈ, নমস্কাৰ কৰি হনুমান মহেন্দ্ৰ পৰ্বতলৈ বুলি যাত্ৰা কৰিলে।

মহেন্দ্ৰ পৰ্বতত থিয় হৈ হনুমানে মহেন্দ্ৰ পৰ্বতকো পৰীক্ষা কৰি চালে। হনুমানে অলপমান লৰ-চৰ কৰাত সমগ্ৰ মহেন্দ্ৰপৰ্বত দুলি উঠিল আৰু পৰ্বতৰ অ'ত ত'ত গুহাত থকা প্ৰাণীবোৰ ভুঁইকঁপ হোৱা বুলি ভাবি ভয়তে চিঞৰি উঠিল। মহেন্দ্ৰ পৰ্বতত থকা অসংখ্য মুনিঋষি আৰু বিদ্যাধৰসকলো এনেহেন অভূতপূৰ্ব অভাৱিত কম্পনত কম্পিত হ'ল। আৰু তৎপৰ সকলোটিয়েই বীৰ হনুমানক আকাশত উৰি থকা দেখা পালে।

আকাশৰপৰা হনুমানে বানৰসকললৈ চাই ক'লে, "মই এতিয়া লংকালৈ গৈ আছোঁ। যদি লংকাতো সীতামাতৃক বিচাৰি নাপাওঁ, মই তাৰপৰা পোনে পোনেই স্বৰ্গলৈ যাম। যদি তাতো মাতৃ সীতাক বিচাৰি নাপাওঁ, পুনৰ লংকালৈ গৈ ৰাক্ষসৰাজ ৰাৱণক মই বান্ধি লৈ আহিম, অথবা ৰাৱণৰে সৈতে লংকানগৰ খনকে দাঙি লৈ আহিম।"

এইদৰে কোৱাৰ অন্তত হনুমান আকাশপথেৰে উৰি উৰি গৈ থাকিল।

হনুমানৰ লগে লগে অসংখ্য বৃক্ষও আকাশ-পথেদি উৰি উৰি গৈ থাকিল। হনুমানৰ বিস্তৃত হস্ত যেনিবা পঞ্চমস্তকযুক্ত ফেঁট মেলা সৰ্পৰ দৰে প্ৰতিভাত হৈছিল। হনুমানৰ চকুযুৰিত একেলগেই চন্দ্ৰ-সূৰ্য্য উদিত হোৱা যেন লাগিছিল। হনুমান উৰি উৰি গৈ থকাত সাগৰ উত্তাল হৈ উঠিছিল।

এনেদৰে গৈ থকা হনুমানলৈ চাই চাই সাগৰে ভাবিলে: মই হনুমানক সহায় কৰিম। হনুমানে ইক্ষ্বাকুবংশীয় শ্ৰীৰামচন্দ্ৰক সহায় কৰিবলৈ গৈ আছে। মোৰ উদ্ধাৰকৰ্তা সগৰো আছিল ইক্ষ্বাকু-বংশীয়, আৰু তেওঁৰ নামৰপৰাই মোৰ নাম হ'ল সাগৰ। গতিকে—লংকালৈ গৈ থকা হনুমানক মই অলপ বিশ্ৰাম দিম।"

সাগৰে মৈনাকপৰ্বতক ক'লে, "মৈনাক. তোমাক ইন্দ্ৰই কৈছিল যে — তুমি পাতালৰপৰা ৰাক্ষসইতক বাহিৰ হ'বলৈ নিদিয়াকৈ লুকুৱাই ৰাখিছিলা। এতিয়া তুমি মোৰ—অৰ্থাৎ সাগৰৰ উৰ্ধলৈ উত্থিত হোৱাঁ। এই ফালৰপৰা—আকাশপথেৰে হনুমান উৰি আহিব ধৰিছে। হনুমানে যাতে তোমাক পাৰ হৈ গুচি যাব নোৱাৰে, তালৈ লক্ষ্য কৰিবা। তুমি তুৰন্তে বাঢ়ি গৈ থাকাঁ। ওখ হৈ উঠাঁ। হনুমানে তোমাৰ গাত বিশ্ৰাম ল'ব পৰাকৈ ওখ হোৱাঁ—মোৰ এই অনুৰোধ।"

মৈনাক চাওঁতে চাওঁতে পানীৰ তলৰ-পৰা ওলাই ওখতকৈয়ো ওখ হৈ উঠিল। মৈনাকক তেতিয়া দেখাত সাগৰৰপৰা উদিত হোৱা সূৰ্য্যহেন লাগিছিল। কিন্তু হনুমানে—ওখ হৈ উঠা মৈনাকপৰ্বতক বাটৰ বাধাৰূপে গণ্য কৰি হুংকাৰ মাৰি মৈনাকৰ শিখৰক ঠেলি বগৰাই দিলে। হনুমানৰ বিপুল বিক্ৰমলৈ চাই আনন্দিত মৈনাকে মনুষ্যৰূপ ধাৰণ কৰি হনুমানক নমস্কাৰ কৰি ক'লে, "হে হনুমান! তোমাৰ শক্তিৰ কোনো পৰিমাপ নাই।

তুমি যি কাৰ্য্য সাধিবলৈ লৈছা, আন কাৰো পক্ষেই সেই কাৰ্য্য সধা সম্ভৱ নহয়। ইমান যোজনলৈ উৰি আহিও তোমাৰ বিন্দুমাত্ৰও শক্তিক্ষয় হোৱা নাই, আৰু তুমি মোকো হেলাৰঙে বগৰাই দিব পাৰিছা। যি কি নহওক—তুমি মোৰ শিখৰত অলপ বিশ্ৰাম কৰাঁ। শ্ৰীৰামচন্দ্ৰৰ বংশজ সগৰ আৰু তেওঁৰ পুত্ৰৰপৰা সাগৰ উপকৃত হ'ল। তুমিও সেই শ্ৰীৰামচন্দ্ৰৰ কাৰ্য্যভাৰ উদ্ধাৰ কৰিবলৈ গৈ আছা। সেইহে মই তোমাক বিশ্ৰাম কৰাৰ বাবে অনুৰোধ জ্ঞাপন কৰি ধন্য মানিছোঁ। মোৰ বিনীত অনুৰোধ, তুমি অলপ বিশ্ৰাম কৰাঁ আৰু বিশ্ৰাম কৰি আমাক কৃতজ্ঞতাপাশত আবদ্ধ কৰি আমাৰ জীৱন ধন্য কৰাঁ।"

মৈনাকে হনুমানক আৰু ক'লে :

"হে হনুমান! তুমি হ'লা পৱনদেৱতাৰ পুত্ৰ, সেই কাৰণে তোমাৰ মান ধৰাটো আমাৰ কৰ্তব্য। কৃতযুগত পৰ্বতৰ শিখৰবোৰ দেবেন্দ্ৰই বজ্ৰায়ুধেৰে কাটি পেলাবলৈ ধৰাত দেৱতা আৰু মুনিঋষিসকল যেতিয়া সভয়কম্পিত হৈছিল, তেতিয়া, পৱনদেৱতাই মোক কটা যোৱাৰপৰা ৰক্ষা কৰি ঠেলি এই সাগৰলৈ নিক্ষেপ কৰিছিল বুলি মই আজিও অটুট-অভগন হৈ আছোঁ। হে পৱন-পুত্ৰ! দয়া কৰি ক্ষন্তেকৰ বাবে হ'লেও মোৰ আতিথ্য গ্ৰহণ কৰাঁ আৰু মোক ধন্য কৰাঁ। তুমি যদি আমাৰ আতিথ্যক পৰিহৰি প্ৰস্থান কৰাঁ, জগতৰ আগত মৈনাকে তাৰ মুখ কদাপি প্ৰদৰ্শন কৰিব নোৱাৰিব, জগতৰ সমস্তৰ আগত মৈনাক হাঁহিয়াতৰ পাত্ৰ হ'ব—এই কথাত তিলমানো সন্দেহৰ হল নাই। গতিকে—হে পৱন-পুত্ৰ! তুমি আমাক তোমাৰ সাধ্যে কুলায়মানে নিৰাশ নকৰিবা বুলি মিনতি কৰিছোঁ। আৰু আমাৰ এই বিনীত মিনতি তুমি ৰক্ষা কৰিবা বুলিও আমি কায়মনোবাক্যে আশা কৰিছোঁ।"

শিৱৰ কৃপা

নন্দীগ্ৰামৰ নৰসিংহ আছিল নাৰিকলৰ বেপাৰী। সম্প্ৰতে নৰসিংহই বিয়া কৰাইছিল। নৰসিংহৰ পৰিবাৰৰ নাম নৰ্মদা। নৰ্মদা দুখীয়া ঘৰৰপৰা অহা সহজ-সৰল ছোৱালী।

*

বিয়াৰ কেইদিনমানৰ পাছত নৰ্মদাই গিৰিয়েকক ক'লে, "আজি আপুনি অলপ সোনকালে ঘৰলৈ ঘূৰিব পাৰিবনে? আপোনাৰ লগত মই শিৱ-দ'ললৈ যাম বুলি ভাবি থৈছোঁ।"

শুনি গিৰিয়েক নৰসিংহ গুজৰি উঠিল, "মোক তুমি তোমাৰ মহৰিৰ তলৰ মহটো বুলি ভাবিছানে কি? মোক আঙুলিৰে নচুৱাবা বুলি ভাবিছা? মই সোনকালে বা যিকালে আহোঁ—তোমাক কিয় লাগিছে? সময়মতে ৰান্ধিবা বাঢ়িবা খাবা-ল'বা-শুবা ঘৰ-দুৱাৰ ভালকৈ চম্ভালিবা—এয়ে হ'ল তোমাৰ কাম। বুজিলানে?" এই বুলি কৈ নৰসিংহ দুপদুপাই গুচি গ'ল।

*

গিৰিয়েকৰ গুৰি-সদিয়াৰ ৰেহ-ৰূপ দেখি নৰ্মদাজনীৰ তধা লাগিল, সপোন ভাগিল। দিনটো তাই ভোকে-পিয়াহে কটাই দিলে।

শিৱ-দ'ললৈ যোৱাৰ কথা কৈ তাই কিনো ভুল কৰিলে?

দুমাহমানৰ অন্তত গিৰিয়েক নৰসিংহৰ গতি-মতিৰ কিঞ্চিত উমান ল'ব পৰা হ'ল নৰ্মদাই। নৰসিংহই সদায় ঘৈণীয়েকক ভৰিৰ তলত ৰাখিহে ভাল পায়, মিঠা কথাৰ কাষেদিও নাযায়, ঘৈণীয়েকক

সুমন্ত সোনোৱাল

ভালৰি বোলোৰাত নৰসিংহ নাই; কিয়নো — তেতিয়া ঘৰিণীয়েই হেনো ঘঁৰিয়াল হৈ খাব, মূৰত উঠি ভুপত্থপাব। আৰু—গিৰিয়েক হিচাপে—সি তেতিয়া হৈ পৰিব যাক বোলে—তিৰীৰ ভুচুং। এই কাম নৰসিংহই কদাপি নকৰে। কদাপিও কৰিব নোৱাৰে।

*

এদিন—সাঁজ লাগি ভগাৰ পাছত নৰ্মদাৰ দেউতাকৰ বন্ধু মহাদেৱখুড়া নৰ্মদাইঁতৰ ঘৰলৈ আহিল। মহাদেৱখুড়া হ'ল নৰ্মদাইঁতৰ গাঁৱৰ শিৱ-দ'লৰ পুৰোহিত। তেওঁ অসুস্থতাৰ হেতুকে নৰ্মদাৰ বিয়া খাবলৈ যাব পৰা নাছিল বুলি এতিয়া আশীৰ্বাদ কৰিবলৈ আহিছে। অৱশ্যে—আন এটা কামত তেওঁ এইখন গাঁৱলৈ অহাবাবেহে এপাক মাৰিবলৈ ইয়ালৈকো ওলাইছেহি।

অকলশৰীয়াভাবে দিনৰ পাছত দিন পাৰ হোৱাত নৰ্মদাজনী ভাগৰি পৰিছিল। গতিকে — মহাদেৱখুড়া অহাত তাই বৰ ভালেই পাইছিল।

নৰ্মদাই মহাদেৱখুড়াক ক'লে, "বহক মহাদেৱখুড়া, খুড়ীৰ ভালনে?"

নৰ্মদাই মহাদেৱখুড়াক এগিলাছ পানী আনি দিবলৈ ঘৰৰ ভিতৰলৈ গ'ল আৰু গিৰিয়েকক মহাদেৱখুড়া অহাৰ কথা সৰু সৰুকৈ ক'লে।

তেতিয়া নৰসিংহই চিঞৰি কৈ উঠিল, "ধেৎতেৰি মহাদেৱৰ গুষ্টিৰ তুষ্টি কৰিছোঁ! আৰু এটা কথা কৈছা যদি—দাঁত সৰুৱাম। এইবোৰ অনাগতিয়াল কথা শুনাৰ সময় মোৰ নাই। বুজিছা নহয়? নুবুজিলে ভালকৈ বুজাই দিম।"

গিৰিয়েকৰ কথাত নৰ্মদাই প্ৰমাদ গণিলে।

তাই ভাবিলে: কাষৰীয়া কোঠাত বহি থকা মহাদেৱখুড়াই কথাখিনি শুনা নাইনে? নিশ্চয় কথাখিনি তেওঁ শুনিলে।

তেওঁ যদি আমাৰ ঘৰত কয়গৈ এইবোৰ কথা—কি হ'ব ?

নৰ্মদাই কাতৰ কণ্ঠেৰে নৰসিংহক ক'লে, "ইমান জোৰে জোৰে নক'বচোন এইবোৰ কথা !"

নৰসিংহই দাংখাই উঠিল, "তুমি তোমাৰ মুখত তলা লগাই দিয়াগৈ। তিৰিৰ কথাত উঠা-বহা কৰিলে ঘৰ গুচি মৰিশালিহে হ'ব — বুইছা—মৰিশালি। এতিয়া তুমি ভালে ভালে ঘৰৰ ভিতৰলৈ যোৱাগৈ কৈছোঁ। নহ'লে—কথা কিন্তু অত্যন্ত বেয়া হ'ব।"

নৰ্মদা তেতিয়া মহাদেৱখুড়াৰ ওচৰলৈ আহিল।

মহাদেৱখুড়াই তাইক ক'লে, "আই, মই এতিয়া — যাওঁেই আৰু। তুমি দুৱাৰখন মাৰি দিয়া।"

নৰ্মদাই চকুলো মচি থকা দেখি মহাদেৱখুড়াই তাইক ক'লে, "নাকান্দিবা আই, শিৱই তোমাৰ সকলো দুখ দূৰ কৰিব।" এই বুলি কৈ, মহাদেৱখুড়া গুচি গ'ল।

*

এমাহমানৰ অন্তত মহাদেৱখুড়া পুনৰ নন্দীগ্ৰামলৈ কিবা কামত আহিল আৰু নৰসিংহৰ ঘৰলৈকো গ'ল।

নৰসিংহই মহাদেৱখুড়াক সুধিলে, "আপুনি বাৰু সেই — কি বোলেনে মহাদেৱ পুৰোহিত নহয় জানো ?"

"হয়, বোপা। — আমাৰ শিৱ-দ'লৰ কষত আমি এখন নাৰিকলৰ দোকান পাতিম। আমি পাতিম মানে—কোনোবাই পাতিলে আমি সহায় কৰি দিম। দোকান-ঘৰৰ লগতে সৰুকৈ থকাঘৰো এটা আছে। শিৱ-দ'লত নাৰিকল তো বিকিবই —ফুল-বেলপাতো ঢেৰ বেচা যাব। তুমি এবাৰ গৈ চাবানে কি ? তুমি আমাৰ আত্মীয় বুলিয়েই এইবোৰ নক'বলগীয়া কথাও তোমাক কৈছোঁ।"



মহাদেৱখুড়াৰ কথাত নৰসিংহই ভালেই পালে। নৰসিংহই নৰ্মদাক কথাটো কৈ, তেতিয়াই মহাদেৱখুড়াৰ লগত সেই দোকানঘৰ চাই অহাৰ মনেৰে শিৱ-দ'ললৈ বুলি খোজ ল'লে।

*

দুয়ো যেতিয়া নৰ্মদাহঁতৰ গাঁৱৰ শিৱ-দ'ল প্ৰায় পালেগৈ—তেতিয়া বেলিয়ে হেঙুলি ৰহন বোলাব ধৰিছে। শিৱ-দ'ল পাওঁতে পাওঁতে চাওঁতে চাওঁতে বেলি মাৰ গ'ল।

দ'লৰ লগত দোকানঘৰ আৰু থকা-ঘৰটো চাই নৰসিংহৰ পছন্দ হ'ল খুব। ঘৰৰ কেৰেয়াও কমেই; মাত্র ত্রিছ টকা। শিৱ-দ'লৰ ন্যাসৰক্ষকক নৰসিংহই ঘৰ দুটা ল'ব বুলি কথা দিলে।

তাৰ পাছত মহাদেৱখুড়া আৰু নৰসিংহ শিৱ-দ'লৰ বাহিৰলৈ ওলাই আহিল। মহাদেৱখুড়াই নৰসিংহক ক'লে, "তুমি—এতিয়া এনে আন্ধাৰে-মুন্ধাৰে ঘৰলৈ যাব নালাগে। আজি আমাৰ ঘৰতে থাকা, কাইলৈ ধলপুৱাতে গুচি যাবা। পিছে—এই দ'লৰ ন্যাসৰক্ষীৰ লগত মোৰ কিছু কাম আছে, ঘৰলৈ যোৱাত কিছু দেৰি হ'ব। আমাৰ ঘৰটো একেবাৰে ওচৰতে। এই টিলাটোৰপৰা নামিলেই দুফাললৈ যোৱা দুটা ৰাস্তা পাবা। তুমি বাঁওফালৰ ৰাস্তাৰে গৈ, ৰাস্তাৰ বাঁওফালে এজোপা পিপলিৰ গছ দেখা পাবা। সেই পিপলিৰ কাষত থকাসৰু দুচলীয়া ঘৰটোৱেই আমাৰ। তুমি তাত জিৰণি লোৱাগৈ।"

*

কথা মতে গৈ—নৰসিংহই পিপলি-জোপাৰ কাষত ঘৰটোৰ দুৱাৰত খট-খটালে। তেতিয়া বৰষুণ দি আছিল। বুঢ়া মানুহ এজনে দুৱাৰ খুলি দিলে আৰু লগে লগে নৰসিংহ ঘৰটোৰ ভিতৰলৈ সোমাই গ'ল। কিন্তু তিমানতে বৰষুণে

সঁতা ধৰিলে।

নৰসিংহই বুঢ়াৰপৰা জানিলে যে এই ঘৰটো মহাদেৱখুড়াহঁতৰ ঘৰ নহয়। তেওঁলোকেৰ ঘৰটো — আন এজোপা পিপলিৰ কাষ:তেই, যদিও ইয়াৰপৰা কিছু নিলগত ঘৰটো।

ভাগৰি পৰা নৰসিংহই বুঢ়া মানুহজনক ক'লে, "এতিয়া—ইমান ডবা-পিটা বৰষুণত মহাদেৱখুড়াহঁতৰ ঘৰ বিচাৰি ওলাবৰ মন নাই। মই যদি ৰাতিছোৱা ইয়াতে থাকোঁ —অসুবিধা পাবনে কি?"

বুঢ়াই ক'লে, "নহয় বোপা, কোনো অসুবিধা নাই। তুমি সেইখন তক্তাপোচত পৰি থাকা। ঈশ্বৰৰ লীলাৰ কথা কিনো ক'বা বোপা। মই চাৰি চাৰিটা ল'ৰাৰ বাপেকটো হৈও আজি মোৰ এই অৱস্থা!" বুঢ়াই তেওঁৰ দুচকুৰপৰা বৈ অহা চকুলো মচিলে।

মাজনিশালৈকে বুঢ়াই নৰসিংহক হিয়া উজাৰি নিজৰ দুখৰ কাহিনী ক'লে। বুঢ়া যেতিয়া যুৱা আছিল, তেতিয়া আছিল খঙাল। পুত্ৰ-পৰিবাৰৰ প্ৰতি আছিল অতি কৰ্কশ। ঘৰৰ কাৰো সৈতে তেতিয়া সেই যুৱা গিৰিহঁতে মিঠা ব্যৱহাৰ কৰা নাছিল, বা, মিঠা ব্যৱহাৰ কৰাৰ প্ৰয়োজনেই বোধ নকৰিছিল। তাৰ পাছত—পুত্ৰসৱ ডাঙৰ

হ'ল, চাকৰিয়াল হ'ল, সিহঁতে বিয়া-বাৰু কৰ লে, নিজ নিজ পৰিবাৰক লৈ বেলেগ হৈ ঘৰ এৰিলে, আৰু যেতিয়া সিহঁতৰ মাক মৰিল—তেতিয়াৰপৰা আৰু নহাই হ'ল।—এতিয়া আৰু বুঢ়াৰ কোনো-কেও নাই, কেতিয়াবা যে কোনো আছিল —তাৰ প্ৰমাণেই নাই। যুৱাকালত আনৰ প্ৰতি কৰা কৰ্কশ আচৰণ এতিয়া বুঢ়া-কালত নিজেই পাইছে।

বুঢ়াই চকুলো মচি ক'লে, "মোৰ ভুলতেই মই আজি জ্বলা জুইত পৰিছোঁ।"

শুনি নৰসিংহ বিচলিত হৈ উঠিল। ৰাতি তাৰ টোপনি নহা হ'ল।

ৰাতি পুৱাল, নৰসিংহৰো টোপনি টুটিল। চকু মেলি চায়েই নৰসিংহই তাতে মহাদেৱখুড়াক বহি থকা দেখা পালে। মহাদেৱখুড়াই নৰসিংহক ক'লে, "তুমি কেনেকৈনো এই ঘৰটোত সোমাই-ছিলাহি? কোনে খুলি দিছিল তোমাক?"

"কিয়? এজন বুঢ়া মানুহে।"

"বুঢ়া—!"

"উঁ।"

"সেই বুঢ়া কোন জানানে?"

"কোন নো?"

"সেই বুঢ়াটো আছিল এটা ভূত। এইটো এটা এৰা বাৰী, ভূতৰ ঘৰ।" মহাদেৱ খুড়াই ক'লে, "মই তোমাক ক'বলৈ পাহৰি আছিলোঁ যে—দ্বিতীয় পিপলিজোপাৰ গাতে লগা ঘৰটোহে আমাৰ ঘৰ।"

কথাটো শুনি নৰসিংহই ভয়তে ঘামিবলৈ ধৰিলে। অলপ সুস্থিৰ হৈ নৰসিংহই ভূত-বুঢ়াই কোৱা কথাখিনি মহাদেৱখুড়াক ক'লে।

যি কি নহওক—নৰসিংহই শিৱ-দ'লৰ ওচৰত নাৰিকল আৰু ফুল-বেলপাতৰ দোকান এখন পাতিছিল, আৰু তাতেই থাকিবলৈ লৈছিল। নৰসিংহ শান্ত স্বভাৱৰ গিৰিয়েকলৈ পৰিৱৰ্তিত হৈছিল, অতি মিঠা স্বভাৱৰ হৈছিল।

কিছুদিনৰ অন্তত মহাদেৱখুড়াই নৰ্মদাক সুধিছিল, "আই, এতিয়া নৰসিংহই তোমাৰ লগত আগৰ তুলনাত ভাল ব্যৱহাৰ কৰা হৈছেনে?"

"হয়, খুড়া, শিৱৰ কৃপাত এতিয়া খুব ভাল আছোঁ।" নৰ্মদাই ক'লে।

এই শিৱ যে সেই শিৱ নাছিল, মহাদেৱ খুড়াই যে শিৱভট্ট নামৰ সেই বুঢ়াক নৰসিংহক পোনাবলৈ ভূতৰ ভাও দিয়াইছিল, সেই কথাটো মহাদেৱখুড়াই কেতিয়াও কাকো কোৱা নাছিল।



গোঁজেই গজালি

বহু কালৰ আগৰ কথা। মানদেশৰ সৰু গাঁও এখনত লেবছাং নামৰ সুতখোৰ মানুহ এজন আছিল। ধনেই যে ধৰ্মৰ মূল সেই কথা ধানৰ পেটত চাউল থকাৰ দৰে জানি লেবছাঙে ধন আছ ধন বাছ ধন হ'লে ভাল মাছৰ মন্ত্ৰকে আওৰাই জীৱনপাত কৰিবলৈ ধৰিলে।

কিন্তু এবাৰ যেতিয়া সুতখোৰ লেবছাং টান বেমাৰত পৰিল, তেতিয়া হঠাৎ তাৰ মগজুত ধৰ্মবুদ্ধিৰ উদয় হ'ল আৰু সি ভগৱন্তৰ অনন্ত-কথা শুনাৰ মনেৰে ওচৰৰে মন্দিৰৰ পূজাৰী এজনক মতাই অনালে।

পূজাৰীয়ে লেবছাঙৰ ভৰিৰপৰা মূৰলৈকে চাই লৈ তাক সুধিলে, "তুমি কেতিয়াবা মন্দিৰলৈ গৈছানে?"

"সঠিককৈ মনত পৰা নাই, পণ্ডিতজী।" সুতখোৰ লেবছাঙে লেবাই লেবাই ক'লে।

"তোমাৰ মনত ভগৱৎ চিন্তা এতিয়াও আচলতে নাই। এনে অৱস্থাত—এইবোৰ শুনি তোমাৰ লাভ একো নহ'ব।" এই বুলি কৈ পূজাৰী গ'লগৈ।

তাৰ পাছত—বৈদ্য এজনৰ চেষ্টাত লেৱছাং ভাল হৈ উঠিল। সি আগৰ দৰেই পুনৰ আনন্দৰে সুতৰ কাৰবাৰ কৰি থাকিল।

এদিন বাটত লেবছাঙক দেখা পাই পূজাৰীয়ে ক'লে, "হাৰে! ইমান টান বেমাৰৰপৰাও উঠিলা তেন্তে!"

লেবছাঙে ক'লে, "হয় পণ্ডিতজী; পিছে—এক দুঃস্বপ্নই মোৰ পিছ লৈছে।"

"দুঃস্বপ্ন? কেনেকুৱা দুঃস্বপ্ন?"

লেবছ'ঙে ক'লে, "এই সপোনত—মই মৰি স্বৰ্গলৈ গ'লোঁ। কিন্তু স্বৰ্গৰ দুৱৰীয়ে

মোক স্বৰ্গৰ দুৱাৰমুখত ৰখাই সুধিলে, 'কোৱা, তুমি কেতিয়াবা কোনো সাধু বা পূজাৰী-টুজাৰীৰপৰা কিবা ধৰণৰ ভগৱৎ-কথা শুনিছিলা ?' মই—'নাই শুনা' বুলি কোৱাত দুৱৰীয়ে ক'লে, 'তেনেহ'লে ইয়াতে বৈ থাকা। মই কাৰোবাক ধৰি আনোগৈ। সাধু বা পূজাৰীয়ে আশীৰ্বাদ কৰিলেহে তুমি স্বৰ্গলৈ সোমাব পাৰিবা। অলপ পাছত দুৱৰীয়ে পুনৰ মোক ক'লেহি, "তুমি এটা দুৰ্ভগীয়া, স্বৰ্গত সাধু বা পূজাৰী —ক'তো-কেনিও একো-এটাও নাই'।"

লেবছাঙৰ কথা শুনি পূজাৰীৰ তিগ্ৰমান্তি খং উঠিল আৰু গুচি গ'ল।

কেইদিনমানৰ পাছত গাঁৱৰ গাঁওবুঢ়াই লেবছাঙক বাটত দেখা পাই মাতিলে আৰু তাক ক'লে, "তুমি পূজাৰীবেটাক ভালকৈ এপালি খুৱালা, শুনি ময়ো ভালেই পাইছোঁ। একেবাৰে আখা ইচ্ছাত চকটি হৈছে। সেই এটা দুঃস্বপ্নকে দেখিলানে-আৰু কিবা সপোন-টপোন—"

"নহয়—, আৰু এটা দেখিলোঁ। হওঁতে — দুঃসপোনে মোক জুমুৰি দি ধৰা যেন পাইছোঁ।" লেবছাঙে ক'লে।

অবাক হৈ পৰা গাঁওবুঢ়াৰ প্ৰশ্নৰ উত্তৰত লেবছাঙে দ্বিতীয় দুঃস্বপ্নৰ কথা ক'লে :

"এইবাৰৰ দুঃস্বপ্নত মই নৰকলৈ গ'লোঁ আৰু তাত পূজাৰী আৰু সাধুবিলাকৰ মাজত নৰকৰ ঠাই অধিকাৰ কৰাৰ কথাত মাৰ-পিট হোৱা দেখা পাই—মই তাত পৰি থকা ফটা-ছিটা লেতেৰা খাটোলা এখনত বহিলোঁ। তেতিয়া নৰকৰ দুৱৰীয়ে মোক চকু পকাই ধৰিলে আৰু ক'লে, 'এই খাটোলা তোমাৰ বাবে নহয়, তোমাৰ গাঁৱৰ গাঁওবুঢ়াৰ বাবেহে ৰাখি থোৱা হৈছে'। এই বুলি কৈ, দলি মাৰি মোৰ ঘৰতে মোক পেলাই দিলে।"

শুনি গোঁজা খোৱা গাঁওবুঢ়া গোঁগেঁ ৰাই উঠি গুচি গ'ল আৰু লেবছাং হাঁহি থাকিল।

মৰ্ত্যবাসীক কি লাগে

স্বৰ্গত যেতিয়া দেৱৰাজ ইন্দ্ৰৰ শাসন চলিছিল, তেতিয়া ইন্দ্ৰই মৰ্ত্যৰ মানৱ-সকলৰ কাৰণেও মংগলৰ কথা চিন্তিছিল, আৰু কৰণীয়খিনি কৰিছিল। এবাৰ এই কথাত ইন্দ্ৰ বৰ চিন্তিত হৈ উঠিল যে— মৰ্ত্যবাসীৰ কাৰণে কি কি কাম কৰিলে তেওঁলোক সুখী হ'ব। বহু ভাবি ভাবি ইন্দ্ৰই সপ্তনক্ষত্ৰক মতাই অনালে।

ইন্দ্ৰই ক'লে, "মই মৰ্ত্যলোকবাসীলৈ সুখ প্ৰদান কৰোঁ। কিন্তু এনেয়ে সুখ পালে সুখীৰ ওচৰত সেই সুখ মূল্যহীন হৈ পৰে। গতিকে—মই তোমালোকক কিছু-মান বস্তু দিম, সেইবোৰ বস্তু তোমালোকে মৰ্ত্যবাসীক উচিত দামত বেচিবাগৈ।"

দেৱপ্ৰভু ইন্দ্ৰই প্ৰথম নক্ষত্ৰৰ হাতত এটা সোণৰ টেমা দিলে আৰু ক'লে, "এই টেমাত হাস্যৰস আছে। এই ৰস সেৱন কৰোঁতাৰ মনত সন্তুষ্টিৰ সৃষ্টি হ'ব। সন্তুষ্টি হ'ল প্ৰাণীমাত্ৰৰে প্ৰকৃত শক্তি।" তাৰ পাছত দ্বিতীয় নক্ষত্ৰক দিলে আন এটা সোণৰ টেমা। ইন্দ্ৰই ক'লে, "এই টেমাটোত আছে সুশীলতা, সুশীলতা প্ৰতিটি প্ৰাণীৰ প্ৰাণস্বৰূপ।" তৃতীয় নক্ষত্ৰক আন এটা সোণৰ টেমা দিলে আৰু ক'লে, "এই টেমাটোত আছে স্বাস্থ্য। স্বাস্থ্য হ'ল সৌভাগ্যৰ সাৰ কথা।" চতুৰ্থ নক্ষত্ৰক আন এটা পাত্ৰ দি ক'লে, "এই পাত্ৰটোৰ ভিতৰত আছে 'দীৰ্ঘজীৱন'।" পঞ্চম নক্ষত্ৰক আন এটা মঞ্জুষা (কাঠৰ পেৰা) দি ইন্দ্ৰই ক'লে, "ইয়াত 'কীৰ্তি' আছে। 'কীৰ্তি'— মৰ্ত্যবাসীৰ বৰ প্ৰিয় বস্তু।" ষষ্ঠ নক্ষত্ৰক দিলে 'আনন্দৰ' টেমা। আৰু সপ্তম

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

নক্ষত্ৰক আন এটা সোণৰ পাত্ৰ দি ক'লে, "এই পাত্ৰত আছে 'ঐশ্বৰ্য্য'। এই ঐশ্বৰ্য্যয়েই হ'ল মৰ্ত্যবাসীৰ ইন্ধন।"

তাৰ পাছত—সাতো নক্ষত্ৰই স্ত্ৰী-ৰূপ ধাৰণ কৰি মৰ্ত্যলৈ গ'ল। প্ৰথম, দ্বিতীয়, তৃতীয় নক্ষত্ৰৰপৰা কোনেও একো নিকিনা হ'ল। চতুৰ্থ নক্ষত্ৰই বাটে বাটে 'দীৰ্ঘজীৱন লাগে—দীৰ্ঘজীৱন' বুলি চিঞৰি থাকিল। চিঞৰে গুণ দিলে। দলে দলে মৰ্ত্যবাসী আহিল 'দীৰ্ঘজীৱন' বিচাৰি।

"তোমালোকৰ পক্ষে জৰুৰী—মোৰ বাইদেউৰ ওচৰত পাবা—হাস্যৰস। আৰু আন এজনীৰ ওচৰত আছে—স্বাস্থ্য। আৰু—ঐশ্বৰ্য্য নহ'লে তোমালোকৰ হ'ব জানো? কীৰ্তি—নালাগিবনে?"

তাত গোট খোৱা মৰ্ত্যবাসীবিলাকে একেলগে কৈ উঠিল, "নেলাগে — নেলাগে!"

তেতিয়া চতুৰ্থ নক্ষত্ৰই ক'লে, "আৰে ভাই-- সেইবোৰ বস্তু যদি নিকিনা—মোৰপৰা 'দীৰ্ঘজীৱন' কিনি কি হ'ব? দীৰ্ঘজীৱন যাপিবলৈ হ'লে সেইবোৰ বস্তু লাগিবই। এটা দীৰ্ঘজীৱনত সুখ, স্বাস্থ্য, আনন্দ, কীৰ্তি — এইবোৰ নাথাকিলে কিহেৰে বা কিহৰ আশাৰে জীয়াই থাকিবা? ঐশ্বৰ্য্য—তোমালোকৰ জীৱন-কালত সদা-সৰ্বক্ষণেই আৱশ্যক হ'ব। গতিকে সময় থাকোঁতে এইবোৰো কিনি লোৱা। এইবোৰ পুতলা নাথাকিলে দীৰ্ঘজীৱন বিসোৱাদ হৈ নুঠিবনে?"

ওচৰতে এজোপা গছৰ ডালত এটা ভাটৌ বহি আছিল। চতুৰ্থ নক্ষত্ৰই দীৰ্ঘ-জীৱনৰ টেমাটো খুলি অলপমান দীৰ্ঘজীৱন ভাটৌটোৰ ঠোঁটত অকণমান লগাই দিলে। এই অকণমান দীৰ্ঘজীৱন খায়েই ভাটৌটো তিনিশ বছৰলৈ জীয়াই আছিল। কিন্তু সেই দীৰ্ঘজীৱন আছিল মৰণতকৈও অনেকগুণে অস্বস্তিকৰ।



ওকাপি
আফ্ৰিকা মহাদেশৰ কংগোৰ গভীৰ অৰণ্যৰ প্ৰাণী ওকাপি হ'ল জিৰাফৰ একমাত্ৰ বংশজ প্ৰাণী। এই শতিকাৰ প্ৰাৰম্ভণীত এই প্ৰাণী-বিধক আৱিষ্কাৰ কৰা হৈছে।


বিস্তীৰ্ণতম জলাহ
পৃথিৱীৰ বিস্তীৰ্ণতম জলাহ ছোভিয়েত দেশৰ প্ৰিপেট নৈৰ অৱবাহিকাত অৱস্থিত। এই জলাহৰ বিস্তৃতি আনু-মানিক ১৮,১২৫ স্কোৱেয়াৰ মাইল।

বাটৈটোকাৰ বাহাদুৰি
গালাপাগোছ দ্বীপৰ উডপেকাৰ ফিন্‌চ্ (বাটৈটোকা) নামৰ চৰায়ে পাত নাইকিয়া গছৰ তথা নাগ ফেণা গছৰ দীঘল কাঁইটেৰে গছৰ গাত বিন্ধা কৰি পোক-পৰুৱা উলিয়ায়।

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে ৮৭·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

আপোনাৰ বৰঙণি কেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
চাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০·০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯১ চনৰ জুলাই সংখ্যাত প্ৰকাশিত হ'ব





* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯১ চনৰ মে' মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯১ চনৰ মাৰ্চ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : এক জগতৰ দুটি প্ৰাণ   আহাৰ লাগে নহয় আন : দ্বিতীয় ফটো

পুৰস্কাৰ প্ৰাপক : দ্বৈপায়ন ভট্টাচাৰ্য্য, ইটখোলা, চিলচৰ, অসম।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বহুৰেকীয়া বৰঙণি **চান্দমামা** ৩৬.০০ টকা মাখোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

JUNIOR
QUEST
NOW with the added fun of SPUTNIK Junior!
JUNIOR
QUEST
Where finding out is fun
Selections from Sputnik Junior!.
* Colourfully illustrated stories and cartoons.
* Superb science fiction
* Entertainment and general knowledge
64 packed pages!
At just Rs. 5/-
Sputnik
Junior
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies,
Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A Chandamama
Vijaya Combines
publication

Biku, John, Abik, Salim, All waiting for their birthdays. For their PORSCHE.
Mine was yesterday.
PORSCHE
SAMMO
CHANDAMAMA TOYTRONIX
Mfd. by :
Chandamama Toytronix Pvt. Ltd.
Chandamama Buildings,
188, NSK Salai, Vadapalani,
Madras - 600 026.
STP
Remote-Control PORSCHE Toy Car
• For the first time in India
• Indigenously manufactured
• Design from SAMMO of South Korea
FROM THE HOUSE OF CHANDAMAMA

CHANDAMAMA (Assamese) May 1991 Regd. No. TN/MS(S)/87